চান্দমামা

জুন ১৯৯১

Mudra:A:EAMR:5484 Ass



Gx.223.90 Asm R

চান্দমামা

*

জুন ১৯৯১

এই * আছে

সংখ্যাত

*

জন-শক্তি	:	৭	চান্দমামা-ক্রোড়পত্র	:	৩৬
পৃথিৱীৰ খিৰিকীৰে	:	৯	জগতৰ পৌৰাণিক কাহিনী	:	৩৭
উপকাৰৰ উপৰ-চাপৰ	:	১১	যখৰ হাঁহি	:	৪১
পৰমাৰ্থ	:	১৬	বীৰ হনুমান	:	৪৫
অপূৰ্ব-কাহিনী	:	১৭	পাণ্ডিত্যৰ মূল	:	৫৩
আদৰমালতী	:	২৫	বেঙা	:	৬০
বিচিত্ৰ বেজালি	:	৩২	বিচিত্ৰ প্ৰকৃতিৰ বৈচিত্ৰ্য	:	৬৩

*

“मेरि” गोल्ड कवारिगं गाहने अपनी क्षेष्ठता, अनुपम ‘लाजवाब’ मनमोहक डिसैनों से दुनियां की सारी स्त्रियों के दिलों में शाक्षत जगह पाये हैं। आपको कैसा नम्बर चाहिये यह हमें लिखकर बताइये। वि.पि.पि. द्वारा भेजा जायेगा। मुफ्त केटलाग के लिये आज ही हमें लिखिये, बरदनाटियम सेटस भी मिलेगा।

MERI GOLD COVERING WORKS

P.O.BOX 1405, 14, RANGANATHAN STREET

T.NAGAR, MADRAS - 600 017, PHONE: 444671

MAGGI CLUBBERS FUN LOVERS MAGGI CLUB
মেগী ক্লাবে বিনামূল্যে উপহাৰ
বিলাইছে, অৰণ্যৰ ৰহস্যই
তোমাক হাত বাউল দিছে!
অকণ অকণিহঁত আহা! মেগী ক্লাবত যোগদিয়া আৰু
বছৰটো জোৰা বং তামাচাত ভাগ লোৱা। নিউজলেটাৰ, উপহাৰ, খেল
আৰু অন্যান্য অৰণ্যৰ ৰহস্য ভৰা সমল...
তুমি কেৱল এই MAGGI 2-minute টো মেগী নুডল্‌ছৰ
5টা খালি পেকেটৰ সমুখৰ ফালৰ পৰা কাটি তোমাৰ নাম
আৰু ঠিকনা সহ আৰু তোমাক কোনটো উপহাৰ লাগে
তাকো লিখি আমালৈ পঠাই দিয়া। যদিহে তুমি মেগী
ক্লাবৰ সদস্য তেনেহলে তোমাৰ সদস্য নম্বৰটোও লিখি
পঠাবলৈ নাপাহৰিবা। তুমি যদি এতিয়াও মেগী ক্লাবৰ
সদস্য হোৱা নাই তেনে হলে এইটো সুযোগ নেহেৰুৱাবা।
ওপৰত উল্লেখ কৰা বিবৰণবোৰ পঠাওঁতেই সদস্যতা
কাৰ্ড বিচাৰি লিখিবা। আমি তোমালৈ সদস্যতা কাৰ্ড আৰু
উপহাৰটো বিনামূল্যে পঠাম!
আমাৰ ঠিকনাটো :
মেগী ক্লাব,
পোষ্ট বক্স 5788,
নতুন দিল্লী-110055
KING OF THE JUNGLE
Archie
আৰ্চী কমিক্‌!
TO LET
বিনামূল্যে! মেগী 'ৱৰ্ল্ড অব এনিমেল্‌স কুইজ পুস্তিকা
তুমি গোটোৱা প্ৰতি 3টি উপহাৰৰ বাবে আমি
তোমালৈ পঠাম বন্যজন্তুৰ বিষয়ে
আমোদজনক আৰু ৰহস্যময় যেন
লগা কথাৰে ভৰা মেগী
'ৱৰ্ল্ড অব এনিমেল্‌স' কুইজ
পুস্তিকা – তাকো
বিনামূল্যে। প্ৰতিটো খেলতেই
বিতং বিবৰণ পাবা।
বিনামূল্যে
MAGGI 2-minute noodles
FAST TO COOK! GOOD TO EAT!
Name:
Membership no.:
আৰু এটা সুযোগ! যদিহে তুমি লজ অব দা জাংগল্ গেম লোৱা নাই তেনেহলে এতিয়া গোটোৱা!
HTA 7105ASS

চান্দমামা

সংস্থাপক : চ ক্র পা ণি   সঞ্চালক : বি নাগিৰেড্ডি

জন-শক্তি !

১৯৯১ চনৰ প্ৰথম ভাগ ভাৰতৰ জনসাধাৰণৰ বাবে ঘটনাবহুল। এই কালছোৱাত দুটা বৃহৎ ঘটনা ঘটিছে। তাৰ মাজত এটা হ'ল প্ৰতি দহ বছৰৰ বাদে বাদে এবাৰকৈ অনুষ্ঠিত লোক পিয়ল—যি লোক-পিয়ল যোৱা মাৰ্চ মাহত সমাপ্ত হ'ল—তাৰপৰা জানা গৈছে যে আমাৰ জনসংখ্যা ২৩·৫% বৃদ্ধি হৈছে। চীনদেশৰ ১১৬ কোটি জনসংখ্যাৰ পিছত আমাৰ ৮৪·৩৯ কোটি হ'ল পৃথিৱীত দ্বিতীয়।

দেশত হঠাৎ মধ্যৱৰ্তী নিৰ্বাচনৰ আৱশ্যকতা অনুভূত হ'ল এৰাব নোৱৰা ৰাজনৈতিক ঘটনাৱলীৰ বাবে। কেন্দ্ৰত থকা চাৰিমহীয়া চন্দ্ৰশেখৰ-মন্ত্ৰিসভাই হঠাৎ জোকাৰণি খালে আৰু বাধ্যত পৰি মধ্যৱৰ্তী নিৰ্বাচনলৈ আহ্বান জনালে, সুস্থিৰ চৰকাৰ গঠনৰ বাবে।

১৯৮৯ চনৰ সাধাৰণ নিৰ্বাচনৰ পাছত ইমান সোনকালে আন এটি নিৰ্বাচনৰ প্ৰয়োজন আছিলনে নাই—ই প্ৰকৃততে বিতৰ্কৰ বিষয়। কিয়নো—নিৰ্বাচনৰ যোগে প্ৰতিষ্ঠিত চৰকাৰ পাঁচ বছৰলৈ বৰ্তি থাকিব বুলি জনসাধাৰণে অতি ন্যায়সংগতভাবে আশা কৰে।

বছৰ : ১৬   জুন ১৯৯১   সংখ্যা : ৩

খনে : ৩·০০ টকা : বছৰেকীয়া বৰঙণি : ৩৬·০০ টকা

A CHANDAMAMA PUBLICATION



AN APPEAL TO
OUR READERS, SUBSCRIBERS, AGENTS

The cover price of all editions of CHANDAMAMA had remained Rs. 3-00 for the last three years, despite the ever mounting costs of production consequent upon the periodical and abnormal increase in the price of newsprint. Because of reasons beyond our control, we are constrained to raise the cover price to Rs. 4-00 (annual subscription Rs. 48-00) from the July 1991 issue. However, there will be no reduction in the number of pages or the variety of features which will continue to hold your attention. We appeal to everyone concerned to bear with us.

—Publisher



স্তব্ধ হ'ল ৰণ-শিঙা!

উপসাগৰীয় যুদ্ধৰ অন্ত পৰিল। কিছু স্বস্তিও মিলিল; কিন্তু শান্তি নিমিলিল, সন্তুষ্টিও নিমিলিল। দুখন দেশৰ মাজত যেতিয়া কিবা কাৰণত মতবিৰোধৰ সৃষ্টি হয়, তেতিয়া, আজিৰ দিনতো, আলাপ-আলোচনাৰ যোগেদি সেই মতবিৰোধৰ মীমাংসা হোৱাৰ সলনি কেনেকৈ যে বীভৎস ধৰণে মৰণে-মাৰণে যুদ্ধ লাগি পৰে, কিয় যে আলোচনাৰ মেজত এনেবোৰ কথাৰ মীমাংসা নহয়—সিয়েই হ'ল চিন্তাৰ বিষয়, আৰু এক দুখকৰ অধ্যায়!

দেশে দেশে শান্তি অটুট ৰখাৰ বাবে আজি আছে আমাৰ আগৰণুৱা ৰাষ্ট্ৰসংঘ। কিন্তু তথাপি কিয় যুদ্ধ অপৰিহাৰ্য হৈ উঠে—কিয় যে এনেকৈ ৰণ-শিঙা বাজি উঠে—সেই কথা বাস্তৱিকতে ভাবি চাবলগীয়া।

আন্তঃৰাষ্ট্ৰীয় শান্তিৰ সুৰক্ষাৰ বাবে ১৯৪৫ চনৰ ২৪ অক্টোবৰৰ দিনা সংযুক্ত ৰাষ্ট্ৰসংঘৰ পাতনি তৰা হৈছিল। পৃথিৱীৰ ক্ষুদ্ৰ-বৃহৎ সকলো ৰাষ্ট্ৰৰ বাবেই এই সংঘৰ দুৱাৰ সদা-সৰ্বক্ষণৰ বাবে উন্মুক্ত। সংযুক্ত ৰাষ্ট্ৰসংঘৰ চনদ হ'ল ভৱিষ্যৎ-পৃথিৱীৰ শান্তিৰ চনদ।

এক অতি ক্ষুদ্ৰ দেশ—কুৱেতক শক্তিমদমত্ততাৰে ইৰাকে অধিকাৰ কৰি লৈছিল আৰু তেতিয়া ৰাষ্ট্ৰসংঘই ইৰাকক কুৱেত ত্যাগ কৰিবলৈ অনুৰোধ কৰিছিল। কিন্তু ৰাষ্ট্ৰসংঘই বহুবাৰ ইৰাকক এই অনুৰোধ কৰা সত্ত্বেও ইৰাকে অবিচলিতভাবে কুৱেতৰ অধিকাৰ বজায় ৰখা হ'ল।

তেতিয়া ৰাষ্ট্ৰসংঘৰ সদস্য দেশসমূহৰ অধিকভাগেই কুৱেতৰপৰা ইৰাকক বলপূৰ্বক বহিষ্কাৰ কৰাৰ সপক্ষে মত প্ৰদান কৰিলে আৰু ৰাষ্ট্ৰসংঘৰ অন্যতম সদস্য দেশ আমেৰিকাই এই কাৰ্য্যৰ নেতৃত্ব তথা দায়িত্বভাৰ গ্ৰহণ কৰিলে। ৰাষ্ট্ৰসংঘৰ ৩৭খন সদস্য দেশে মিত্ৰবাহিনীৰ এই কাৰ্যত সক্ৰিয় সহযোগ আগ বঢ়ালে। মিচৰ, ফ্ৰান্স, ছৌদি আৰব আৰু ইংল্যাণ্ডে আগবঢ়ালে সৈনিক-সহায়তা। কানাডা আৰু জাৰ্মানিয়েও অন্যান্য সহায়তা আগ বঢ়ালে।

এই যুদ্ধৰ প্ৰধান আৰু একমাত্ৰ লক্ষ্য আছিল কুৱেতৰ মুক্তি। ইৰাকক ধ্বংস কৰাৰ কোনো পৰিকল্পনা নাছিল। এখন দেশৰ স্বাধীন সত্তা বজায় ৰখাৰ বাবেহে এই যুদ্ধ কৰিবলগা হৈছিল, আৰু যুদ্ধৰ এই উদ্দেশ্যৰ পূৰণৰ বাবে বহু তেজ বৈ গ'ল, বহু প্ৰাণ বিনষ্ট হ'ল, আৰু বিশ্বৰ বহু ঠাইৰ পৰিবেশ প্ৰদূষিত হৈ গ'ল। ইৰাকে ৰাষ্ট্ৰসংঘৰ নিৰ্দেশ মান্য কৰাহেঁতেন এইবোৰ বেদনাদায়ক অনাৱশ্যকীয় ধুন্ধুমাৰ কাণ্ড-কাৰ্খানাৰ সৃষ্টি কদাপি নহ'লহেঁতেন। অৱশ্যে — ইৰাক এতিয়াও

ৰাষ্ট্ৰসংঘৰ সদস্য হৈয়েই আছে।

এই অনভিপ্ৰেত যুদ্ধৰপৰা এটা কথা ওলাই পৰিছে যে—পৃথিৱীত যুদ্ধ পৰিহাৰ কৰাৰ তথা শান্তি স্থাপন কৰাৰ পৰিপূৰ্ণ ক্ষমতা ৰাষ্ট্ৰসংঘৰ নাই। এই বিষয়ে ৰাষ্ট্ৰসংঘৰ সদস্যসকলে গভীৰভাবে চিন্তা কৰি চোৱাৰ এয়েহে সময়। আমাৰ ভৱিষ্যতৰ ৰাষ্ট্ৰসংঘক আমি পৰিপূৰ্ণৰূপে শান্তিস্থাপক ৰূপে দেখিবলৈ বিচাৰোঁ। ৰাষ্ট্ৰসংঘৰ সদস্যসকল সেই শান্তিৰ সেন্দূৰীয়া আলিলৈ আগ বাঢ়ক— যি শান্তি ভ্ৰান্তিহীনভাবে হ'ব স্থায়ী শান্তি।




Saddam Hussain


George Bush

উপকাৰৰ উপৰ-চাপৰ

মুকুন্দপুৰত পৰমেশ আৰু পাৰ্বতী নামৰ এহাল দৰিদ্ৰ দম্পতি আছিল আৰু এইহালৰ আছিল একেটি মাথোন ল'ৰা। ল'ৰাটিৰ নাম শিৱ। সা-সম্পদ বোলোঁতে পৰমেশৰ আছিল মাত্ৰ এডৰা ফুলনি। এইডৰা ফুলনিয়েই আছিল সিহঁতহালৰ ফটা কাঁথাৰ সোণ, জীৱনৰ ধন। যিকোনো ফুলপুলি সিহঁতহালৰ হাতৰ পৰশ পালেই জীৱন্ত হৈ উঠিছিল। শিৱৰ মাকে শিৱক কৈছিল, "এই যে দেখিছ ফুলাম ফুলনি— এইবোৰ হ'ল বনদেৱীৰ অনুগ্ৰহ।"

এবাৰ শিৱৰ মাক টান বেমাৰত পৰিল। তেতিয়া শিৱৰ দেউতাকৰ হাতত পইচা নাই পাতি নাই, কিহেৰে যে চিকিৎসা কৰাব ভাবি উলিয়াব পৰা নাই। তেতিয়া বাধ্যত পৰিয়েই শিৱৰ দেউতাক পৰমেশ সুতখোৰ মহাজন কুবেৰনাথৰ কাষ চাপিল। কুবেৰনাথে পৰমেশৰ ফুলনিডৰা বন্ধক লোৱাৰ পৰিৱৰ্তে টকা এশ পৰমেশক দিলে। এইদৰে, লোকৰ মাটি-বাৰী বন্ধক হিচাপে লৈ, টকা ধাৰলৈ দি, কুবেৰে বহুতোকো উবাৰ কৰিছিল, কবৰ দিছিল।

কিন্তু ফুলনিডৰাও গ'ল, শিৱৰ মাকো গ'ল। ভালকৈ চিকিৎসা কৰা সত্বেও শিৱৰ মাক ঢুকাল। ঢুকুৱাৰ আগে আগে মাকে শিৱক কৈছিল, "বোপা, আমাৰ বনদেৱী বৰ কোমল মনৰ দেৱী, তেওঁক কদাপি দুখ নিদিবা, তেওঁক নাপাহৰিবা।" তিনিমাহমানৰ অন্তত কুবেৰ মহাজনে পৰমেশক এদিন 'ক'লেগৈ, "শুনা পৰমেশ, তোমাৰ উধাৰৰ টকাখনি এতিয়া সুতে-

অনিতা শৰ্মা

মূলে পাঁচশমানেই হ'ল চাগে'। গতিকে —এইখিনি পৰিশোধ নকৰালৈকে মই তোমাৰ ফুলনিডৰাৰ দখল ল'লোঁ। এতিয়াৰ-পৰা এই ফুলনিৰ যাৱতীয় ফুল আৰু অন্যান্য বস্তু মোৰ বুলি জানিবা।"

তেতিয়াৰপৰা— পৰমেশ আৰু শিৰ সৌ সিদিনালৈকে সিহঁতৰে হৈ থকা ফুলনিৰ মালী মাথোন হ'ল।

এইদৰে প্ৰায় এবছৰমান পাৰ হ'ল। এদিন সুতখোৰ কুবেৰনাথে পৰমেশক ক'লে, "চোৱা পৰমেশ, তোমাৰ উধাৰৰ টকা এতিয়া সুত-মূলে প্ৰায় পাঁচহেজাৰ মানেই হ'বৰ হ'ল। কেনেকৈনো ইমান টকা শুজিবা? কাম এটা নকৰা কিয়—? তোমাৰ ল'ৰাটোক আমাৰ ঘৰুৱা কাম-বনবোৰ কৰিবলৈ কোৱা, তেতিয়া তোমাৰ ধনৰো ইমান নাটনি নাথাকিব, জেপ গধুৰ হৈয়েই থাকিব, আৰু কিজানিবা তোমাৰ উধাৰৰ টকা কিছুখিনি কমিব।"

এইদৰে, আৰু এবছৰ পাৰ হ'ল। এতিয়া শিৰই কথা এটা বুজি পোৱা হ'ল যে—এইদৰে চলি থাকিলে তাৰ দেউতাকৰ বা তাৰ জীৱনকালতে সুতখোৰ মহাজন কুবেৰৰ পাওনা কদাপি পৰিশোধ নহ'ব, আৰু সিহঁতৰো গেবাৰী খটাৰপৰা মুক্তি এই জীৱনত আৰু নহ'ব।

কেইবাদিনো ধৰি এইবোৰ কথা ভাবি ভাবি, অৱশেষত এদিন শিৰই বনদেৱীক সিহঁতৰ দুখৰ কথা ক'বৰ মনেৰে কাকো নোকোৱা-নোবোলাকৈ বনলৈ গ'ল।

তেতিয়া জহৰ দিন। বনৰ মাজেদি গৈ গৈ শিৰই নিজৰা এটাৰ কাষ পালেগৈ। সেই নিজৰাৰপৰা অলপ আঁতৰত থকা কিছুমান গছ-গছনি মৰহি যাব ধৰা দেখি শিৰই নিজৰাৰপৰা আঁজলি ভৰাই পানী আনি সেই গছ-গছনিবিলাকত দিলে। কেইদিনমান এইদৰে পানী দিয়াত মৰহি যাব ধৰা গছ গছনিবিলাক পুনৰ লহপহীয়া হৈ উঠিল।



এইদৰে প্ৰায় এমাহেই পাৰ হ'বৰ হ'ল। শিৱই বনে বনে অনাই-বনাই ঘূৰি ঘূৰি বনদেৱীক বিচাৰি ফুৰে। ঘূৰি ঘূৰি বহুদিন-বহু নিশা পাৰ কৰি সি যেতিয়া প্ৰায় সম্পূৰ্ণ হতাশ হৈ পৰিল, তেতিয়া এদিন অকস্মাৎ বনদেৱী তাৰ আগত প্ৰত্যক্ষভাবে আৱিৰ্ভূতা হ'ল।

বনদেৱীয়ে শিৱক ক'লে, "শিৱ, তোমাৰ আগ্ৰহাকুল আৰাধনাত মই তুষ্ট হৈছোঁ। তোমাক কি লাগে এতিয়াই মোৰপৰা প্ৰাৰ্থনা কৰি লোৱাঁ।"

শিৱই বনদেৱীক ক'লে সিহঁতৰ জীৱনজোৰা দুখৰ কথা। কুবেৰে যে সিহঁতক কবৰ দিবলৈ ওলাইছে, সেই কথাটো। শিৱই বনদেৱীক বিস্তাৰিতভাবে বুজাই ক'লে।

তেতিয়া বনদেৱীয়ে শিৱক ক'লে, "সৌযে গছজোপাত সোণবৰণীয়া ফল ওলমি থকা দেখিছা, সেই ফল খোৱা-মাত্ৰেই তুমি অদৃশ্য হৈ পৰিবা। এই ফল—মাত্ৰ তুমিহে দেখা পাবা, আন কোনেও দেখা নাপায়। এই ফল খাই অদৃশ্য হৈ তুমি তোমাৰ সমস্যাৰ সমাধান কৰিব পাৰিবা। কিন্তু এটা কথা মনত ৰাখিবা—তোমাৰ সমস্যাৰ সমাধান হোৱামাত্ৰেই তুমি দ্ৰুতগতিৰে মোৰ কাষ চাপিবাহি, তেতিয়া তোমাক পুনৰ আগৰ ৰূপলৈ পৰিৱৰ্তিত কৰি দিম। কিন্তু—যদি মিছা সময় নষ্ট কৰি পলম কৰাঁ, তেনেহ'লে অদৃশ্য হৈ থাকিহে জীৱন কটাব লাগিব—এই কথা মনত ৰাখিবা।" বনদেৱীয়ে শিৱক সাৱধান কৰি দিলে।

তাৰ পাছত, বনদেৱীক সাষ্টাংগে প্ৰণাম কৰি, সোণোৱালী ফল খাই, অদৃশ্য হৈ, শিৱই নিজ গাঁৱলৈ বুলি খোজ ল'লে।

গাঁও পাই, অদৃশ্য শিৱেই এক অদ্ভুত অবিশ্বাস্য দৃশ্য দেখি থমকি ৰ'ল। তেতিয়া ক্ৰুদ্ধ কুবেৰনাথে শিৱৰ দেউতাকক লাঠি এডালেৰে উৰাই-ঘূৰাই কোবাই আছিল



আৰু চিঞৰি চিঞৰি কৈ আছিল. "ক' — ক', শিৰক ক'ত লুকুৱাই থৈছ—তুৰন্তে কৈ দে—হাৰামৰ নেগুৰটো।"

শিৰই উগ্ৰ খণ্ডতে কুবেৰ মহাজনৰ কঁকালত থিয় গোৰ এই শোধোৰাতে কুৰেত উবুৰি খাই উফৰি পৰিল। তাৰ পাছত শিৰই কুবেৰৰ লাঠীডালেৰে কুবেৰৰ পিঠিতে ডাল-পচলা মাৰি থাকিল। তাৰ পাছত—কুবেৰৰ কঁকালত থকা চাবিকোছা লৈ তাৰপৰা তিলিকতে গুচি গ'ল।

তাত গোট খোৱা ৰাইজে এনে অভাৱনীয় কথা-কাণ্ড দেখি ভয়ত বেবুৰা লাগিল। কুবেৰ কেনেকৈ যে আৰু কিয় যে তেনেকৈ কৰ্ফাল খাই পৰিল, লাঠীৰে কোনে যে তাক তেনেকৈ পিটিলে এইবোৰ কথাৰ ভু নাপাই ৰজাই ভয়াতুৰ হ'ল।

ইপিনে — শিৰই পোনে পোনেই কুবেৰনাথৰ ঘৰলৈ সোমাই, তাৰ চন্দুকৰ-পৰা সিহঁতৰ আৰু লগতে অন্যান্যবোৰ মাটি-বাৰী বন্ধকত লোৱা দলিলবোৰ উলিয়াই আনি জুই লগাই দিলে।

এই কাণ্ড দেখি আধামৰা কুবেৰনাথে মৰ চিঞৰ মাৰিলে; কিন্তু ৰাইজে তাৰ মৰ-চিঞৰলৈ জ্ৰাক্ষেপো নকৰা হ'ল। ৰাইজে এইবিলাক কথা-কাণ্ড কোনোবা-দেওভূতৰ বুলিহে ভবা হ'ল।

পাছ মুহূৰ্ততে শিৰই বনদেৱীৰ ওচৰলৈ বুলি ৰাওনা হ'ল। কিন্তু বাটত—এটা ঘৰত কান্দোনৰ ৰোল শুনি শিৰ থমকি ৰ'ল। এজন বুঢ়াই কান্দি কান্দি তেওঁৰ পৰিবাৰক কৈ আছিল যে—ছোৱালীৰ বিয়াৰ বাবে সাঁচি থোৱা টকা আঢ়ৈ-হেজাৰ কালুৰাম চোৰে লৈ গ'ল

শুনি শিৰ উভয় সংকটত পৰা যেন হ'ল। এতিয়া সি কি কৰিব? বনদেৱীকে লগ ধৰিবনে কালুৰামক? এই অদৃশ্য অৱস্থাতে এই বৃদ্ধ গৃহস্থৰ টকাখিনি সি মন কৰিলে মোৰ ধৰি চোৰ কালুৰামৰপৰা উদ্ধাৰ কৰি আনি দিব পাৰিব।

যি হয় হওক—বুলি ভাবি শিৰই অটব্য হাবিত গুহা এটাৰ ভিতৰত থকা কালুৰামৰ ঘৰলৈ গ'ল আৰু তাত মোনাত পাৰি থকা সেই বৃদ্ধৰ আঢ়ৈ হাজাৰ টকা, আৰু লগতে সোণা-মণি মুকুতা হীৰা-জহৰত আদিৰে ঠাহ খোৱা আন এটা শকত আৰু গধুৰ মোনাও লৈ গুহাৰপৰা ওলাই আহিল।

তাৰ পাছত সেই বৃদ্ধ গৃহস্থৰ ঘৰৰ খিৰিকীয়েদি তেওঁৰ আঢ়ৈ হেজাৰটকীয়া মোনাটো দলিয়াই দিলে আৰু পাছত শিৰই দেশৰ ৰজাৰ ওচৰলৈ গ'ল।

তেতিয়া ৰাজসভা চলি আছিল। হঠাৎ ৰজাই তেওঁৰ ভৰিৰ ওচৰত হীৰা-জহৰত থকা গধুৰ মোনা এটা দেখা পাই বিস্মিত হৈ ইফালে-সিফালে চাই থাকোঁতেই অদৃশ্য শিৰই কৈ উঠিল, "মহাৰাজ, কালুৰাম চোৰৰ গুপ্ত গুহাৰপৰা মই এইবোৰ লৈ আহিছোঁ। এইবোৰ নিশ্চয় ৰাজকোষৰ বস্তু। তাক তাৰ অনুচৰবিলাকৰে সৈতে এতিয়াই ধৰিবলৈ হ'লে অভয়পুৰৰ অৰণ্যলৈ চিপাহী পঠাওক।"

এই বুলি কৈয়েই হতবাক হৈ পৰা ৰজাৰ ৰাজসভাৰপৰা ওলাই শিৰ বনদেৱীৰ ওচৰলৈ গ'ল আৰু ক্ৰুদ্ধা বনদেৱীৰ চৰণ স্পৰ্শ কৰি, আৰু তাৰ অন্যায় তথা পলম হোৱাৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰি, সেই গৃহস্থ বৃদ্ধাৰ কাহিনী ক'লে।

বনদেৱীয়ে হাঁহি মাৰি ক'লে, "পুত্ৰ, মই কেতিয়াও কোনো উপকাৰীৰ অনিষ্ট নকৰোঁ।" এই বুলি কৈয়েই বনদেৱীয়ে শিৰক আগৰ ৰূপলৈ ৰূপান্তৰিত কৰিলে।

বনদেৱীৰপৰা বৰ লাভ কৰাত শিৰহঁতৰ ফুলনিত এইবাৰ এবছৰৰ বাবে সোণাৰ গোলাপ ফুলিল। সেই সোণ বেচি বেচি শিৰই তাৰ বুঢ়া দেউতাকৰ উপৰিও অন্যান্য দুখীয়া-ভুকীয়াহঁতৰ সেৱাত আত্মনিয়োগ কৰি, সুখ, সুনাম আৰু সন্মানেৰে জীৱন অতিবাহিত কৰিছিল।



পৰমাৰ্থ

শিলগিৰা গাঁৱৰ ধৰ্মানন্দই পৰিবাৰ আৰু জীয়েককে লগত লৈ এখন বিখ্যাত তীৰ্থক্ষেত্ৰলৈ ওলাল। সেই তীৰ্থক্ষেত্ৰলৈ যাওঁতে এখন বিৰাট বহল নৈ পাৰ হ'ব লাগে।

পাৰ-নাও সাজু হৈয়েই আছিল। ধৰ্মানন্দই নাৱৰীয়াক অৰ্থাৎ ঘাটোৱালক সুধিলে, "সিপাৰলৈ লৈ যাওঁতে কিমান পইচা ল'বা ?"

"জনমূৰি চাৰি অনাকৈ, হুজুৰ।"

ঘাটোৱালে ক'লে।

শুনি ধৰ্মানন্দই অবাকেই মানিলে। পাৰ কূল দেখা নোপোৱা ইমান বহল নৈখন পাৰ কৰোঁতে মাত্ৰ চাৰি অনাকৈ পইচা!

যি কি নহওক—ধৰ্মানন্দ সপৰিবাৰে নৈ পাৰ হ'ল, মন্দিৰলৈ গ'ল, পূজাৰ বাবে নৈবেদ্য আগ কৰিলে, আৰু তাৰ পাছত লৰালৰিকৈ পুনৰ নৈ ঘাটলৈ বুলি খোজ বঢ়ালে। কিয়নো —বেলি মাৰ গ'লে আৰু সিপাৰলৈ বুলি নাও নেৰিব নাৱৰীয়াই, আৰু ইপাৰত থকা-মেলাৰ কোনো ধৰণৰ বন্দবস্তও নাই।

গতিকে—দিনে-পোহৰে পাৰ হ'বই লাগিব।

ঘাটোৱালে ধৰ্মানন্দক এইবাৰ ক'লে, "হুজুৰ! এতিয়া মোৰ কথা শুনি বেয়া নাপাব। এতিয়া কিন্তু পাৰ হওঁতে জনমূৰি পাঁচ টকাকৈ লাগিব।"

"কি কোৱাহে!" মূৰত চৰগ পৰা যেন হৈ ধৰ্মানন্দই কৈ উঠিল, "তাৰ মানে—আমি তিনিজনে তোমাক পোন্ধৰ টকা দিম পাৰ হ'বৰ বাবে? যাওঁতে দেখোন মাত্ৰ বাৰ অনা পইচা লৈছিলা!"

"যাওঁতে পোন্ধৰ টকা খোজাহেঁতেন আপুনি হয়তো তালৈ পুণ্য কৰিবলৈ ন'গলহেঁতেন। কিন্তু এইবাৰ ঘৰলৈ তো যাবই লাগিব। কিয়নো—ঘৰেই হ'ল সকলো তীৰ্থৰ সাৰতীৰ্থ, আৰু হুজুৰ—জীয়াই থাকিবৰ বাবে আমাকো লাগে অৰ্থৰূপী কিছু পৰমাৰ্থ।"

—শান্তি

২

[আগৰ কথা : প্ৰকৃতিৰ জন্ম-ৰহস্যৰ মূল তত্ত্বদ্বাৰা মুনি সদানন্দই মহাযজ্ঞৰ যোগে ক্ষুদ্ৰাতিক্ষুদ্ৰ এক মানৱৰ জন্ম দিলে। এই অপূৰ্ব সৎ আৰু সাহসী আৰু মানৱতাৰ মূল্যবোধসম্পন্ন অগ্নি-বালক দেখাত আছিল এটি ক্ষুদ্ৰ পুতলাহেন; কিন্তু কাৰ্য্যক্ষমতাত আছিল বৃহৎ আৰু মহৎ। যজ্ঞাগ্নিৰপৰা জনম লৈয়েই এই অপূৰ্ব বালক লৌ লৌকৰে জ্বলি থকা এখন গাঁৱৰ দুখীয়াহঁতৰ পঁজা বিছুমান এজাক হাতীৰ সহায় লৈ, হাতী-বিলাকৰ শুঁৰৰ সহায়তাৰে পানী সিঁচি ৰক্ষা কৰিলে। আৰু তাৰ পাছত······]

সিহঁতৰ দীঘল দীঘল শুঁৰেৰে তীব্ৰ গতিৰে পিচকাৰীৰ দৰে পানী সিঁচি জ্বলি থকা পঁজাঘৰবিলাক জুইৰ গৰাহৰপৰা ৰক্ষা কৰাৰ পাছত বনৰীয়া হাতীবিলাকে জমিদাৰৰ ধূৰ্ত আৰু নিমৰমিয়াল টেমেকা-বলাকক তাৰপৰা খেদি দিলে।

টিংখপ মৰা টটুৰা বেং টেমেকাহঁত ফৰিং ছিটিকা দিয়াৰ পাছত বনৰীয়া হাতীবিলাক পুনৰ সেই বনতে সোমাল।

দুখীয়াহঁতৰ প্ৰতি অন্যায়-অত্যাচাৰ সহিব নোৱাৰি অপূৰ্বই হাতীবিলাকৰ সহায়ত এই কাম কৰিছিল। অপূৰ্ব হ'ব এই দুনীয়াৰ ন-পুৰুষ। ৫শ বছৰ ধৰি এগৰাকী মুনিয়ে যি জ্ঞানভাণ্ডাৰ সঞ্চয় কৰিছিল, অপূৰ্ব আছিল সেই জ্ঞানভাণ্ডাৰৰ জ্ঞান বুদ্ধি সাহস শৌৰ্য্যৰ ফলশ্ৰুতি।

'অগ্নি-বালকৰ জন্ম'

দুখীয়াহঁতৰ ঘৰবিলাক হাতীবিলাকৰ সহায়তাৰে ৰক্ষাৰ অন্তত হাতীবিলাক পুনৰ বনলৈ গুচি যোৱাত অপূৰ্বই ভাল পালে!

অপূৰ্বই এই সুন্দৰী ধৰণীৰ নয়নাভিৰাম দৃশ্যসমূহ উপভোগ কৰিবলৈ ধৰিলে। বতাহত হালিজালি থকা গছ-গছনিলৈ চাই অপূৰ্ব মোহিত হ'ল। নৈৰ সোঁত আৰু তাৰ সৰু সৰু ঢৌবোৰে, বিভিন্ন চৰাইৰ মাতে, অৰণ্যানীৰ নিৰৱ ভাষাই অপূৰ্বক অপূৰ্বভাবে আকৰ্ষিত কৰিলে।

সেই নিঃসীম অৰণ্যপ্ৰান্তৰত তেতিয়া বেলিয়ে লহিয়াব ধৰিছিল। আত্মমগ্ন হৈ অপূৰ্বই সেই অনিৰ্বচনীয় দৃশ্যলৈ চাই আছিল। কিন্তু অকস্মাৎ এক নাৰীকণ্ঠৰ আৰ্তনাদ শুনি অপূৰ্বৰ তন্ময়তা টুটিল।

এই বহু বহু দূৰৱৰ্তী নাৰীকণ্ঠৰ আৰ্তনাদ সাধাৰণ মানুহে কদাপি নুশুনিব। কিন্তু অপূৰ্ব হ'ল অসাধাৰণ মানৱ। সি নুশুনা-নমনা একো নাই। আনকি কোনোবাই মনৰ মাজত আৰ্তনাদ কৰিলেও অপূৰ্বৰ কাণত সেই আৰ্তনাদ নপৰাকৈ নাথাকিব।

অপূৰ্বই সেই আৰ্তনাদৰ উৎসৰ ফালে বিজুলী গতিৰে লৰৰি গ'ল। এইদৰে লৰৰি গৈ থাকোঁতে—সাধাৰণ মানুহে অপূৰ্বক একেবাৰেই দেখা নাপায়।

এখন গাঁৱৰ এমূৰত থকা ভগা পঁজা এটাৰ কাষত অপূৰ্ব ৰ'লগৈ। তেতিয়া চাৰিওদিশ এন্ধাৰে আবৰি ধৰিছিল।

ভগা পঁজাটোৰ ভিতৰফালৰপৰা এগৰাকী নাৰীয়ে কান্দি কান্দি কৈ থকা শুনা গ'ল:

"দয়া কৰা—দয়া কৰা! দয়া কৰি মোৰ ল'ৰাটোক এৰি দিয়া। আমাৰ আন যি আছে য়িমান আছে লৈ যোৱা, কেৱল ল'ৰাটোক এৰি দিয়া।"

অপূৰ্বই ভগা পঁজাৰ জলঙাইদি ঘৰৰ ভিতৰলৈ জুমি চালে। ঘৰৰ ভিতৰত থিয় হৈ আছিল ওখ-পাখ শকত-আৱত তিনিটা মানুহ। সিহঁতৰ মাজত দুটাৰ



থাকি ইয়াৰ লা-লক্ষণ চাইছোঁ, আৰু মহাদেৱী ব্যাঘ্ৰী গোসাঁনীলৈ বলি হিচাপে উছৰ্গা কৰিবৰ জোখাৰে ইয়াকে বাছি উলিয়াইছোঁ। তোমাৰ ল'ৰাটো যে বলিদানৰ যোগ্য — তাৰ বাবে তোমাৰ সত্যে সত্যে গৰ্বিত বোধ কৰা উচিত, ল'ৰাটোৰ মাতৃ হিচ'পে আনন্দিত-গৌৰৱান্বিত হোৱা উচিত।"

ল'ৰাটোৰ মাতৃ হিচাপে মই নিশ্চয় আনন্দিত-গৌৰৱান্বিত। কিন্তু তাক যদি তোমালোকে ধৰি নি বলি দিয়া—মোৰনো আৰু কিহৰ আনন্দ?" ল'ৰাটোৰ মাকে কান্দি কান্দি ক'লে।

"তোমাৰ ল'ৰাটো যে আমাৰ এই বলিদানৰ যোগ্য—তাৰ কাৰণেই তোমাৰ আনন্দিত হোৱা উচিত। এই বলিৰদ্বাৰা আমিও গোসাঁনীৰ আশীৰ্বাদ পাম, তুমিও পাবা।" চৰ্দাৰটোৱে ক'লে।

কিন্তু নাৰীগৰাকীয়ে হুৰাওৰাৰে কান্দিয়েই থাকিল। তেতিয়া সেই ডকাইত-চৰ্দাৰটোৱে বমকি উঠি ক'লে, "তুমি যদি এইদৰেই চিঞৰি চিঞৰি কান্দিয়েই থাকা, তেনেহ'লে — আমি বাধ্যত পৰিয়েই তোমাক মাৰি পেলাম। জানি থোৱা, মোৰ নাম ভৈৰৱচৰ্দাৰ, মোৰ নাম শুনিলেই কিমানৰ যে খোৱা-শোৱা

হাতত লাঠী আৰু আন এটাৰ হাতত চোকৰ তৰোৱাল। তিনিওটাৰ দৃষ্টি অতি ক্ৰূৰ আৰু নিৰ্মম।

তিনিটাৰ মাজত এটাই চেমনীয়া ল'ৰা এটিৰ মুখত কটকটীয়াকৈ হাতেৰে সোপা মাৰি ধৰি আছিল।

কান্দি থকা নাৰীগৰাকীৰ কথাৰ উত্তৰত ডকাইতৰ চৰ্দাৰটোৱে হাঃ হাঃ কৈ হাহি মাৰি ক'লে, "চোৱা, তোমাৰ পইচা-পাতি বা সোণ-ৰূপ আমাক একো নালাগে। সেইবোৰ আমাৰ ঢেৰ আছে। আমাক লাগে এই সুলক্ষণীয়া ল'ৰাটোক, যোৱা দুদিন ধৰি আমি এই ঠাইত লুকাই

বন্ধ হৈ যায়—জানানে? যদি নিজৰ প্ৰাণৰ মমতা আছে—একদম চুপ হৈ থাকিবা কৈছোঁ।" এই কথাখিনি কৈয়েই ডকাইতকেইটাই ল'ৰাটোক লগত লৈ গুচি যাবলৈ ধৰিলে।

নাৰীগৰাকীয়ে কান্দি কান্দি কৈ থাকিল, "তহঁতে মোৰ বুকু শুদা কৰিলি, বুকু জুৰাবৰ ঠাই নোহোৱা কৰিলি। ঈশ্বৰে তহঁতক দণ্ড দিব। —মোৰ তেওঁ ঘৰত নাই বুলিহে তহঁতে ল'ৰাটোক লৈ যাব পৰা হ'লি।—চুবুৰিত কোনো নাইনে —যিজনে মোৰ ল'ৰাটোক ঘূৰাই আনিব পাৰে? মোৰ ল'ৰা……মোৰ ল'ৰাটো ……মোৰ মৰমৰ ল' ৰা—টো ……!"

অপূৰ্বই কালক্ষেপ নকৰি ডকাইত-বিলাকৰ পিছ লৈছিল। গৈ গৈ ডকাইত তিনিটাই অটব্য অৰণ্যৰ এচুকত প্ৰকাণ্ড গুহা এটাৰ সমুখত ৰ'লগৈ। তাত তেতিয়া বাৰটামান ইয়া ইয়া পালোৱানৰ দৰে ডকাইত থিয় হৈ আছিল।

"আমাৰ পৰিশ্ৰম সাৰ্থক হ'ল, ফল মিলিল। সকলো যা-যোগাৰ ঠিকেঠাকে কৰা হৈছেনে?" চৰ্দাৰে সুধিলে।

"হৈছে—চৰ্দাৰ! পূজাৰীয়ে বলিৰ শুভ ক্ষণো ঠিকঠাক কৰি থৈছে। মাজনিশা বলিৰ পকিষ্ট সময়—আমাৰ পূজাৰীটোৱে কৈছে।" এটা ডকাইতে ক'লে।

"ঠিক আছে। ইয়াক—গোসাঁনীৰ কাষত থকা গুহাটোৰ ভিতৰত থৈ দিয়া। আৰু শুনা—সেই সেউজ-দৰৱ এটোপামান খুৱাই দিবা, বুইছা? পানীৰ লগত মিহলাই। কিন্তু — এটোপাতকৈ বেছি নেখায় যেন চাবা। কিয়নো—তেতিয়া সি বলিৰ আগতে আৰু সাৰেই নোপোৱা হ'ব। বলিৰ সময়ত সি সাৰে থাকিব লাগিবই।" চৰ্দাৰে ডকাইত এটাক বুজাই ক'লে, "আৰু শুনা—সি সাৰে থাকক বা নেথাককেই, তাক কটকটীয়াকৈ বান্ধি থ'বা। ইমান বিচাৰি-খোচাৰি



পালোঁ তাক, যদি কেনেবাকৈ সৰকে—"

চৰ্দাৰৰ কথা নৌশেষ হওঁতেই সিটো ডকাইতে কৈ উঠিল, "ক'লৈনো সি যাব চৰ্দাৰ? ইয়াৰপৰা ওলাবৰ সাধ্য তাৰ হ'বই নোৱাৰে।"

"চুপ থাক্ তই! মই যি কওঁ তাকে কৰিবি।" চৰ্দাৰে বমকি উঠি ক'লে।

"নিচ্ছয়, চৰ্দাৰ মালিক মাই-বাপ! যি ক'ব তাকে হ'ব ন'লে গৰ্দান যাব।" সিটো ডকাইতে তলমূৰ হৈ ক'লে।

নিচেই ওচৰত জোপোহাৰ আঁৰত থিয় হৈ অপূৰ্বই এই কথা-কাণ্ডবোৰ শুনি-দেখি আছিল। হঠাৎ জোপোহাৰ ভিতৰত কিবা লৰিচৰি থকাৰ শব্দ উঠাত এটা ডকাইতে কৈ উঠিল, "কিনো তাত?"

"কোনোবা এটা শহা-তহা হ'ব। আৰুনো কি?" ইটো ডকাইতে ক'লে। তাৰ পাছত এটায়ো সেই ফাললৈ মন-কাণেই নকৰা হ'ল।

মাজনিশালৈকে এই ডকাইতবিলাক বলিদানৰ নানান কামত ব্যস্ত হৈ থাকিল। সেই নিশা আছিল আউসীৰ নিমজ্জ অন্ধকাৰৰ নিশা। এন্ধাৰৰ আঁৰে আঁৰে অপূৰ্বই মেকুৰী খোজেৰে ইফালে-সিফালে গৈ গৈ বলিদানৰ ক্ৰিয়াকাণ্ড চাই থাকিল।

এসময়ত অপূৰ্ব বলিদানৰ বাবে আত্মীয়াকৈ থৈ দিয়া সেই ল'ৰাটোৰ ওচৰলৈ গ'ল। অপূৰ্বই ভাবিলে: মই যদি এতিয়াই ল'ৰাটোক দাঙি লৈ গুচি যাওঁ—ডকাইতবিলাকেও তৎক্ষণাৎ পিছ ল'ব আৰু ল'ৰাটোক পুনৰ ধৰাৰ লগে লগে মোকো নিশ্চয় ধৰিব। গতিকে—এতিয়া—কি কৰা উচিত?

ডকাইতহঁতৰ দেৱীমূৰ্তি আছিল এজনী বাঘিনীৰ মূৰ্তি। এই মূৰ্তিৰ আগত ডকাইতহঁত বহি আছিল।

"পূজাৰী!" চৰ্দাৰে কৈ উঠিল, "শুনা। তুমিও যদি আমাৰ দৰে চেৰাপ খোৱা, তেতিয়া কিন্তু কথা বিষম হৈ যাব পাৰে।

তেতিয়া—তুমি বেটা মদপীয়ে ল'ৰাটোক এঘাপেৰে বলি দিব পাৰিবা জানো? নোৱাৰিবা। আৰু—যদি এনেকুৱা বিঘিনি ঘটে—তেতিয়া কিন্তু মই তোমাকেই বলি দি ডোখৰ ডোখৰ কৰিম। চৰ্দাৰ ভৈৰৱে কোনো কামলৈ আওহেলা নসহে— কথাটো জানি থোৱা ভাল।"

"চৰ্দাৰ! আপুনি নিঃচিন্ত হৈ থাকক। মই বলি নোহোৱালৈকে চেৰাপক পেচাপ বুলি ভাবিম। বলিদানৰ কামটি যথাবিধি কৰিম, কথা দিলোঁ।—আপোনালোকে পেচাপ — মানে হেৰি কি বোলেনে— চেৰাপ ইচ্ছামতে পি থাকক।" এই বুলি কৈ পূজাৰীয়ে বাঘিনী-দেৱীলৈ ফুল দিলে।

অলপমান আঁতৰত এটা ডাঙৰ পাত্ৰত চেৰাপ ৰাখি থোৱা হৈছিল। সেই পাত্ৰটোৰপৰা এটা ডকাইতে চেৰাপ উলিয়াই আনবিলাকক দি আছিল। ডকাইতবিলাকে টেঁটুলৈকে চেৰাপ খাই ঢুলঢুলীয়া হৈ পৰিছিল।

এইবোৰ চাই-চিঁতি অপূৰ্বই বুদ্ধি এটা পাঙিলে।

অপূৰ্ব দ্ৰুততাৰে সেই গুহালৈ গ'ল আৰু ল'ৰাটোক অচেতন কৰা সেউজ-দৰবৰ চিচাটো লৈ পুনৰ তালৈ গ'ল। তাৰ পাছত — এছেগত অপূৰ্বই চেৰাপৰ সেই ডাঙৰ পাত্ৰটোত সেউজ-দৰবখিনি মিহলাই দিলে আৰু পুনৰ জোপোহাৰ আঁৰ ল'লে।

ডকাইতবিলাকে মনৰ আনন্দৰে চেৰাপ খায়েই আছিল আৰু ফুৰ্তিৰ পাৰভঙা জোৱাৰত হোঃ হোঃ হাঃ হাঃকৈ হাঁহিৰ লহৰ তুলি উটি আছিল। কিন্তু এইবাৰৰ চেৰাপ খাই সিহঁত কিবা যেন হৈ পৰিল। এপালি-দুপালি-তিনিপালিকৈ খোৱাৰ অন্তত সিহঁতকেটা নিঃসাৰ হৈ মাটিত বাগৰি পৰিল। সাৰে থাকিল কেৱল সেই বলিদানৰ পূজাৰীটো।

ইতিমধ্যে অপূৰ্বই সেই ল'ৰাটোৰ

বান্ধোন খুলি মুক্ত কৰি লৈ আহিছিল। এইবাৰ অপূৰ্বই পূজাৰীটোক ক'লে, "হেই বোন্দৈ। পেকৰ কচু পূজাৰী! এই চেৰাপখিনি তুমি এতিয়াই খোৱা, নহ'লে —এই মুহূৰ্ততে তোমাক মাৰি পেলাম!"

এনেবোৰ লণ্ডভণ্ড কাণ্ড চাই পূজাৰীৰ চকু কপালত উঠিল, পূজাৰীৰ মুখৰপৰা মাত নোলোৱা হ'ল। পূজাৰীয়ে অপূৰ্বক এক বিৰাট পিশাচৰ ৰূপতহে দেখা পালে।

"জল্‌দি পি-খোৱা!" অপূৰ্বই প্ৰচণ্ড ডাবি মাৰি কৈ উঠিল। আৰু পূজাৰীয়ে ভেঁকৈ কান্দি দিয়াৰ লগে লগে তাক খাবলৈ দিয়া চেৰাপখিনিও একে শোহাই পি-খালে আৰু মাটিত পাটী ল'লে।

এইবাৰ অপূৰ্বই ল'ৰাটোক মিঠা মাতেৰে সুধিলে, "তোমাৰ নাম কি?"

"সমীৰ।" ল'ৰাটিয়ে ক'লে।

"ব'লা; এতিয়া আমি ইয়াৰপৰা ওলাই যাওঁ ব'লা।"

অপূৰ্ব আৰু সমীৰ অৰণ্যৰ ঢুকু ফালি ফালি গৈ থাকিল বাকীছোৱা ৰাতি। ধলপুৱাতে সিহঁত দুয়ো সমীৰহঁতৰ গাঁও পোৱা হ'ল আৰু সমীৰক সম্নীৰৰ ঘৰৰ সমুখত খন্তেকমান ৰ'বলৈ কৈ অপূৰ্বই ক'লে, "সমীৰ, সৌ চোৱা—ৰাজপ্ৰহৰীহঁত আলিবাটত চালি ধৰি টহলি ফুৰিছে। তুমি ডকাইতবিলাক ক'ত আছে—সেই ৰাজপ্ৰহৰীহঁতক কৈ দিয়াগৈ। সিহঁতকেটা অচেতন হৈ থাকোঁতেই ৰাজপ্ৰহৰীহঁতে সিহঁতক ধৰিব পাৰিব।" এই বুলি কোৱাৰ অন্তত এখন্তেক ৰৈ পুনৰ ক'লে, "সমীৰ, আজি তুমি মৃত্যুৰ গৰাহৰপৰা ওলাই আহিলা। আগলৈ যদি পুনৰ কেতিয়াবা বিমোৰত পৰা—মাত্ৰ মনতে মোক সুঁৱৰিবা, মই তৎক্ষণাৎ পামহি। মনত ৰাখিবা—মোৰ নাম—অপূৰ্ব।"

এই বুলি কৈয়েই চকুৰ পচাৰতে অপূৰ্ব তাৰপৰা অদৃশ্য হৈ পৰিল। [আগলৈ]

আদৰমালতী

প্ৰতিজ্ঞাৱদ্ধ বিক্ৰমাদিত্যই পুনৰ সেই গছজোপাৰ ডালত ওলমি থকা মৃত দেহটো নমাই আনি কান্ধত পথালিকৈ পেলাই লৈ ঘোপমৰা এন্ধাৰৰ মাজেদি মৰিশালিলৈ বুলি গৈ থাকোঁতে শ'ৰ মাজত থকা বেতালে কৈ উঠিল, "হে ৰজা! কিছুমান মানুহ যথেষ্ট যুক্তিৱান হোৱা সত্বেও কিছু কিছু কাৰ্য্যত কেৱল ভুলহে কৰি থকা পৰিলক্ষিত হয়। তুমিও তেনেহেন ভুল-ভ্ৰান্তি কৰি আছনে কি—ভাবি চাবা। এই প্ৰসংগত মই তোমাক বিজয়পুৰ ৰাজ্যৰ ৰাজকোঁৱৰ এগৰাকীৰ কাহিনী কওঁ শুনা। এই কাহিনীয়ে কোনো নতুন আলোকপাত নকৰিলেও তোমাৰ যুগ যুগ জোৰা পথশ্ৰম লাঘৱ কৰাত কিঞ্চিত সহায় কৰিব।" এই বুলি কৈ, বেতালে ৰাজকোঁৱৰৰ কাহিনী ক'বলৈ ধৰিলে :

'বেতাল-কথা'

বিজয়পুৰ ৰাজ্যৰ মহাৰজা বিদ্যাধৰদেৰৰ বহু দিনলৈকে কোনো সন্তান-সন্ততি নাছিল। কিন্তু প্ৰায় ভাটি বয়সত তেওঁ পিতৃ হ'ল, মহাৰাণীয়ে যঁজা সন্তান প্ৰসৱ কৰিলে; যদিও প্ৰসৱৰ পাছত দুৰ্ভাগ্যক্ৰমে মহাৰাণীৰ মৃত্যু হ'ল।

মহাৰাজ বিদ্যাধৰে পুনৰ্বিবাহ কৰাৰ কথা চিন্তাও নকৰা হ'ল। তেওঁ তেওঁৰ জয় আৰু বিজয় নামৰ যমজ পুত্ৰ-সন্তানদ্বয়ক বৰ আদৰ-যত্নেৰে ডাঙৰ-দীঘল কৰিলে আৰু সিহঁতক সৰ্ববিদ্যাত পাৰংগম কৰি তুলিলে।

মহাৰাজ বিদ্যাধৰ যেতিয়া যথেষ্ট বৃদ্ধ হ'ল আৰু স্বাস্থ্যও বেয়া হৈ আহিল, তেতিয়া তেওঁ ৰাজ্য-শাসনৰ বাঘজৰীৰপৰা মুক্তি ল'বলৈ আগ্ৰহী হ'ল। কিন্তু—পুত্ৰ দুজনৰ মাজত কাক যে ৰজা পাতিব, সেই গুৰুত্বপূৰ্ণ কথাটো ঠাৰৰ কৰিব নোৱাৰি চিন্তাত পৰিল।

মহাৰাজ বিদ্যাধৰে এই বিষয়ে পৰামৰ্শ খোজাত তেওঁৰ মহামন্ত্ৰীয়ে ক'লে, "মহাৰাজ, আমাৰ দুয়োজন ৰাজকোঁৱৰেই সিংহাসনত অধিষ্ঠিত হোৱাৰ যোগ্যতা-সম্পন্ন। তথাপি—ন্যায়ধৰ্মৰ ফালৰপৰা ৰাজ্যভাৰ তথা ৰাজ-সিংহাসন — জ্যেষ্ঠ ৰাজকোঁৱৰেই পোৱা উচিত।"

সেই দিনাই মহাৰাজে তেওঁৰ পুত্ৰদ্বয়ক ক'লে, "বোপাহঁত, মই তোমালোকৰ বিয়া পাতিব খুজিছোঁ আৰু লগতে — ৰাজ্যাভিষেকৰ অনুষ্ঠানো সামৰিব খুঁজিছোঁ। মোৰ স্বাস্থ্য দিনে দিনে বেয়ালৈ ঢাল লৈছে। যি কি নহওক—তোমালোকৰ পছন্দৰ কাৰণে মই সকলো ৰাজ্যৰ ৰাজকুঁৱৰীসকলৰ চিত্ৰ অনাবলৈ দিহা কৰিছোঁ।"

এই কথা শুনি জয়ে কৈ উঠিল, "দেউতা, মোক ক্ষমা কৰিব। মোৰ কাৰণে কোনো ৰাজকুঁৱৰীৰ চিত্ৰ অনাব নালাগে। কিয়নো — মই শিল্পাচাৰ্য্য

আনন্দদেৱৰ পুত্ৰীক বিবাহ কৰাম বুলি কথা দিছোঁ।”

অবাক হৈ পৰা মহাৰাজে বিজয়লৈ জিজ্ঞাসাৰ দৃষ্টিৰে ঘূৰি চালে আৰু সুধিলে, “তুমি—ক্লিবা ক'বানে?”

“মই কালিলৈ মোৰ ক'বলগাখিনি আপোনাক ক'ম, দেউতা!” এই বুলি কৈ, বিজয় তেতিয়াই তাৰপৰা ওলাই গ'ল।

পাছ দিনা বিজয়ে দেউতাকক ক'লে, “মই এই জগতৰ আটাইতকৈ আদৰ-মালতীজনীক বিয়া কৰাবলৈ বিচাৰোঁ। মোৰ কাৰণে আপুনি ৰাজকুঁৱৰীসকলৰ চিত্ৰ অনাওক, প্ৰাথমিক বাছনি কৰিম।”



কিছুদিন অতিবাহিত হোৱাৰ অন্তত ভালেমান ৰাজকুঁৱৰীৰ চিত্ৰ মহাৰাজ বিদ্যাধৰদেৱৰ হাতত পৰিল। তেওঁ পুত্ৰ বিজয়ক এইবোৰ দিলে। বিজয়ে ভালকৈ চাই-চিতি ভুৱনগিৰি, উদয়গিৰি আৰু চন্দ্ৰগিৰিৰ ৰাজকুঁৱৰীৰ চিত্ৰ তিনিখনি আছুতীয়াকৈ থৈ দিলে আৰু ক'লে, “দেউতা, এই তিনিজনী ৰাজকুঁৱৰীক মই নিজেই চাবলৈ যাম, আৰু সিহঁতৰ সৈতে কথা পাতি চাম। সম্ভৱতঃ মই এই তিনিজনীৰ মাজৰেপৰাই এজনীক আপোনাৰ বোৱাৰী কৰি আনিম। আপুনি ভুৱনগিৰি, উদয়গিৰি আৰু চন্দ্ৰগিৰিলৈ বাতৰি পঠাব পাৰে।”

বিজয় পোন প্ৰথমেই বহু দূৰৱৰ্তী ভুৱনগিৰি ৰাজ্যলৈ গ'ল।

ভুৱনগিৰিৰ ৰজা অভ্ৰীশবৰ্ধনে বিজয়ক আদৰি ল'লে আৰু পুত্ৰীক অৰ্থাৎ ৰাজ-কুঁৱৰী চন্দনাক তৎক্ষণাৎ মতাই পঠালে।

অলপ পাছত লিগিৰীজনীয়ে ক'লেহি, “মহাৰাজ! ক্ষমা কৰিব। যুৱৰাণী এতিয়া শুই আছে। ৰাতিৰ পৰতে ম'ৰাচৰাইৰ পাখিৰে বনোৱা বিচনীৰপৰা এডাল পাখি সুলকি পৰিছিল আৰু সেই পাখিডালৰ ওপৰত আমাৰ যুৱৰাণী শুইছিল তাৰ ফলত ৰাতি তেওঁৰ টোপনি নহা হৈছিল আৰু

মূৰ-কামোৰণিও আৰম্ভ হৈছিল। মাত্র এতিয়াহে তেওঁ টোপনি গ'ল। তেওঁ আবেলিত সাৰ পালে গধূলিত আহিব পাৰিব বুলি কৈছে।"

যি কি নহওক,ৰাজকুঁৱৰী চন্দনাই গধূলি পৰতে বিজয়ৰ সৈতে সাক্ষাৎ কৰিছিলহি। উদ্যানত এই সাক্ষাৎকাৰ অনুষ্ঠিত হৈছিল।

বিজয়ে ৰাজকুঁৱৰী চন্দনাক সুধিছিল, "যদি আমাৰ বিবাহ স্থিৰ হয়—তেনেহ'লে বিয়াৰ দিনা মই ভাল পোৱা নীল বৰণীয়া শাড়ীকাপোৰ পিন্ধিবনে?"

"নহয়, মই—মই ভালপোৱা ৰঙা ৰঙৰ শাড়ী পিন্ধিম।" ৰাজকুঁৱৰী চন্দনাই ক'লে।

"বিয়া হৈ যোৱাৰ পাছত—আপুনি প্ৰথমে মোৰ দেউতাক প্ৰণাম কৰিবনে আপোনাৰ দেউতাৰাক?" বিজয়ে পুনৰ সুধিলে, "বিয়াৰ নিমন্ত্ৰণ খাওঁতে—মই ভাল পোৱা মিঠাই খাবনে আপুনি ভাল পোৱা মিঠাই খাব?"

"মই মোৰ ভাল পোৱা মিঠাই খাম।" ৰাজকুঁৱৰীয়ে ক'লে।

তাৰ পাছত বিজয় ভূৱনগিৰিৰপৰা পোনে পোনেই গ'ল উদয়গিৰি ৰাজ্যলৈ।

উদয়গিৰিৰ ৰজা নামতহে ৰজা। প্ৰকৃতপক্ষে ৰাণীয়েই আছিল ৰাজ্যৰ শাসনকৰ্ত্ৰী। ৰাণীয়ে বিজয়ক বিপুলভাবে অভ্যৰ্থনা কৰিলে। কিন্তু বহু সময়ৰ অন্ততো যেতিয়া উদয়গিৰিৰ ৰাজকুঁৱৰী



বন্দনা নহা হ'ল, তেতিয়া বিজয়ে ৰাণীক ক'লে, "এতিয়া ৰাজকুঁৱৰীক আহিবলৈ খবৰ পঠাবনে ?"

ৰাণীয়ে ক'লে, "বোপা, সন্ধিয়াপৰতে তাই আহিব। আগবেলা লিগিৰীইঁতে তাইক চন্দনেৰে মালিচ কৰি থাকোঁতে তাইৰ গালত কেনেবাকৈ শাড়ীৰ আঁচলৰ ঘঁহনি লাগিল। তাৰ পাছত—আমাৰ বৈদ্যই তাইক চাই দৰব-পাতি দিলে, যদিও এতিয়াও তাই সম্পূৰ্ণ সুস্থ হৈ উঠা নাই।"

সন্ধিয়া পৰত যেতিয়া উদয়গিৰিৰ ৰাজকুঁৱৰী অহিল, বিজয়ে ভুৱনগিৰিৰ ৰাজকুঁৱৰীক সোধা প্ৰশ্নসমূহ তাইকো এটা এটাকৈ সুধিলে।

উদয়গিৰিৰ ৰাজকুঁৱৰীৰ প্ৰথম প্ৰশ্নৰ উত্তৰত ক'লে, "মই—আপুনি ভাল পোৱা ৰঙৰ শাড়ীকাপোৰকে পিন্ধিম।"

দ্বিতীয় প্ৰশ্নৰ উত্তৰত ক'লে, "বিবাহৰ পাছত—প্ৰথমে মই মোৰ শহুৰ-দেউতাক প্ৰণাম কৰিম, তাৰ পাছত মোৰ।"

তৃতীয় প্ৰশ্নৰ উত্তৰত উদয়গিৰিৰ ৰাজকন্যাই ক'লে, "আপুনি ভাল পোৱা মিঠাই প্ৰথমতে খাম, পাছত মোৰ ভাল পোৱা মিঠাই ল'ম।"

এইবোৰ উত্তৰ — লাজত কুচিমুচি হৈহে তাই দিছিল।

তাৰ পাছত বিজয় পোনকোৱে গ'ল চন্দ্ৰগিৰি ৰাজ্যলৈ।



চন্দ্ৰগিৰিৰ ৰজাই বিজয়ক বৰ আদৰ-সাদৰ কৰিলে। ৰাজ-দম্পতিয়েই বিজয়ক ৰাজপ্ৰাসাদলৈ আগবঢ়াই লৈ গ'ল।

ৰাজকোঁৱৰ বিজয়ে একো-এটাও নৌ সোধোঁতেই ৰাণীয়ে ক'লে, "বোপা, তুমি বেয়া নোপোৱা যেন, গধূলিৰ পাছতহে ৰাজকুঁৱৰীৰ সৈতে দেখাদেখি হ'ব।"

বিজয়ে মিঠাকৈ হাঁহি মাৰি ক'লে, "বোধ কৰোঁ—তিথি-নক্ষত্ৰ চাইহে সাক্ষাৎকাৰৰ সময় ধাৰ্য্য কৰা হৈছে?"

"নহয় বোপা, কথা তেনেকুৱা নহয়। ৰাতিপুৱা তাই দেৱী-দ'লৰপৰা প্ৰাসাদলৈ আহোঁতে বতাহত সৰি পৰা পাৰিজাত ফুল এটা তাইৰ গাত পৰিছিল আৰু সেই ফুল গাত পৰাৰ ফলত তাইৰ গাৰ আৰু মূৰৰো বিষ উঠিল।" কথাখিনি কওঁতে ৰাণীৰো চকুযুৰি চলচলীয়া হৈ উঠিল।

যি কি নহওক, গধূলিৰ পাছত চন্দ্ৰগিৰিৰ ৰাজকুঁৱৰী নন্দিনী বিজয়ৰ ওচৰলৈ আহিল আৰু বিজয়ে সেই একেই প্ৰশ্ন তিনিটা ৰাজকুঁৱৰী নন্দিনীকো ক'লে।

প্ৰথম প্ৰশ্নৰ উত্তৰত চন্দ্ৰগিৰিৰ ৰাজকুঁৱৰীয়ে ক'লে, "শাড়ীকাপোৰৰ ৰং-বিৰং লৈ মই মূৰ নঘমাওঁ; কেৱল এটা কথাহে চাওঁ—শাড়ীখন মিহিতকৈয়ো মিহি হয়নে নহয়। যদি শাড়ীখন নিমজতকৈয়ো নিমজ নহয়—সেই শাড়ী মই নিপিন্ধো।"

দ্বিতীয় প্ৰশ্নৰ উত্তৰত ৰাজকুঁৱৰীয়ে ক'লে, "দোঁ খাই খাই প্ৰণাম কৰিবলৈ হ'লে মই কঁকালত বৰ দুখ পাম। গতিকে — মই কেৱল হাত যোৰ কৰি নমস্কাৰহে কৰিব পাৰিম।"

আৰু — খোৱাৰ কথাত ৰাজকুঁৱৰী নন্দিনীয়ে ক'লে যে—লিগিৰীহঁতে যি দিব মাত্ৰ সেই বস্তুহে তেওঁ খাব।"

তাৰ পাছত বিজয় নিজ ৰাজ্যলৈ উভতি গ'ল। বিজয়ে দেউতাক ক'লে, "দেউতা, মই চন্দ্ৰগিৰিৰ ৰাজকুঁৱৰী নন্দিনীক বিবাহ কৰাম। ৰাজকুঁৱৰী নন্দিনীয়েই হ'ল

এই জগতৰ প্ৰকৃত আদৰমালতী।”

এই কাহিনী কোৱাৰ অন্তত বেতালে বিক্ৰামদিত্যক সুধিলে. “হে ৰাজন্! যিকোনো স্বামীয়েই তেওঁৰ পত্নীৰপৰা বিনম্ৰতা, বুদ্ধিমত্তা আৰু সুন্দৰতাহে আশা কৰে। কিন্তু পত্নী যদি মাখোন লনি-দনি আদৰমালতীজনী হয় — সেই পত্নীৰে স্বামীয়ে সুখী বোধ কৰিবনে? যুক্তিবত্তা-বুদ্ধিমত্তা থকা বিজয়ে এনেহেন মূৰ্খামী কিয় কৰিছিল? কিবা বিশেষ হেতু আছিলনে? —মোৰ এই প্ৰশ্নৰ উত্তৰ সঠিককৈ জানিও যদি নিদিয়া, তেনেহ'লে তোমাৰ মূৰ ফাটি চাৰিফাল হ'ব—এই কথা ধ্ৰুৱ বুলি জানিবা।”

বেতালৰ প্ৰশ্নৰ উত্তৰত বিক্ৰমদিত্যই ক'লে.“সামান্য সৰু ছোৱালীকেহে বিজয় সিংহাসন প্ৰাপ্তিৰপৰা বঞ্চিত হ'বলগা হৈছিল। ককায়েক জয়ে ৰাজত্ব পালে; কিন্তু বিয়া কৰালে ৰাজমৰ্য্যাদাৰ জ্ঞান নথকা-নজনা এজনী সাধাৰণ ছোৱালীক। সাধাৰণ ঘৰৰ অতি সাধাৰণ ছোৱালী এজনী যেতিয়া ৰাণী হ'ব, তেতিয়া বিজয়ৰ পত্নীয়ে মনতে সদায় জ্বলি থাকিব, ই তেনেই স্বাভাৱিক কথা। আৰু—তেতিয়া ৰাজ-পৰিয়ালত তিক্ততা, ষড়যন্ত্ৰ ইত্যাদি অথন্তৰে ডেউকা মেলিব। সেইহে — ভৱিষ্যতৰ কথা আগতীয়াকৈ ভাবি— বিজয়ে একেবাৰে আলসুৰা-বেচেৰী-আদৰমালতী ৰূপে খোদৰমালতী এজনীকে পত্নী হিচাপে আনিছিল, যিজনীয়ে সুখৰ গহ্বৰত সোমাই থাকি কেতিয়াও মুখেৰে প্ৰতিবাদ নকৰা হ'ব। এয়া বিজয়ৰ মূৰ্খামী নাছিল; আছিল — বুদ্ধিমত্তা তথা দূৰদৃষ্টিৰ পৰিচায়ক।”

বিক্ৰমাদিত্যই এই কথা কোৱাৰ লগে লগেই বেতালে শ'টো লৈ পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল। [কল্পিত

[এম. আৰ. কামেশৰ গল্পৰ আলমত]

বিচিত্ৰ বেজালি

বুদ্ধিশৰ্মা আহিল বমকপুৰ গাঁৱলৈ, আহিল—বেজালিৰে জীৱিকা আৰ্জিবলৈ। এই গাঁৱৰ ৰাইজ বেমাৰ-আজাৰত চিকিৎসা কৰাবলৈ দুৰণিবটীয়া গাঁৱলৈ গৈছিল। কিছুদিনৰ ভিতৰতে বুদ্ধিশৰ্মাই ৰাইজৰ মাজত নাম পোৱা হ'ল। ৰাইজে ক'লে: হয়, নতুন বেজ বুদ্ধিশৰ্মাৰ বেজালিৰ গুণ আছে।

এদিন মাধৱ নামৰ মানুহ এজন পেটৰ বিষত অস্থিৰ হৈ বুদ্ধিশৰ্মাৰ কাষ চাপিল।

বুদ্ধিশৰ্মাই সুধিলে, "পেটৰ বিষ কেতিয়া উঠিছে?"

"আজি ৰাতিপুৱাতে। ইমান বিষ উঠিছে যে—এই থিয় ৰ'দতো নাহি নোৱাৰিলোঁ, দেউ।" মাধৱে কাতৰি ক'লে।

"ৰাতিপুৱা জলপান হিচাপে কি খাইছিল?" বুদ্ধিশৰ্মাই সুধিলে।

"চাইখন ৰুটি। কিন্তু—ৰুটিখিনি বোধকৰোঁ ঠিকমতে সেঁকা নাছিল। নহ'লে ইমান পেট-কামোৰণিৰ কাৰণ নাই।" মাধৱে ক'লে।

বেজ বুদ্ধিশৰ্মাই এটা চিচাত জুলীয়া দৰব অলপ ভৰাই দি মাধৱক ক'লে, "এই দৰব দিনে তিনিবাৰ দুটোপকৈ চকুত দিব।"

মাধৱে আমনি পাই ক'লে, "কি কৈছেনো আপুনি ভাওৰীয়া? পেটৰ বেমাৰত চকুত দৰব? এয়ানো কেনে ধেমালি?"

"ধেমালি? নহয়। ধেমালি নহয়, বেজালিহে কৰিছোঁ। আপোনাৰ চকু যদি বেয়া নহৈছিল—কেনেকৈনো ঠিকমতে নেসেঁকা ৰুটি খাইছিল? পেটৰ বিষ অলপ সময়ৰ অন্তত বা আজি-কালিলৈ নিশ্চয় গুচিব; কিন্তু চকুৰ চিকিৎসা কৰাবই লাগিব।"

—শাৰদা



তেওঁসবৰ স্বপ্ন ভাৰত

আমি একেই মাতৃৰ সন্তান !

দাদাভাই নওৰোজী (১৮২৫—১৯১৭) মুম্বইৰ (বম্বে) পাৰ্শী সম্প্ৰদাৰ অগ্ৰগণ্য পুৰুষ আছিল আছিল। পৰৱৰ্তী দিনত তেওঁ হৈ উঠিছিল ভাৰতৰ এগৰাকী অবিসম্বাদিত নেতা। তেওঁ আছিল লণ্ডনৰ হাউছ অভ্ কমন্সৰ প্ৰথম ভাৰতীয় সদস্য। ১৮৮৬, ১৮৮৩ আৰু ১৯০৬ চনতো তেওঁক 'ইণ্ডিয়ান নেশ্যন্যাল কংগ্ৰেছ'ৰ সভাপতিৰূপে নিৰ্বাচিত কৰা হৈছিল। তেওঁৰ সভাপতিত্বত অনুষ্ঠিত কংগ্ৰেছৰ কলিকতা অধিবেশনত স্বৰাজৰ ধ্বনি উত্থিত হৈছিল। ১৮৯৩ চনত অনুষ্ঠিত কংগ্ৰেছৰ লাহোৰ অধিবেশনত প্ৰদত্ত তেওঁৰ ভাষণত দাদাভাই নওৰোজীয়ে কৈছিল :

"আমি সকলো একেই মাতৃৰ সন্তান আৰু আমাৰ মাতৃ হ'ল ভাৰতবৰ্ষ। মই ভাৰতীয় আৰু সেইহে মই মোৰ দেশবাসীৰ প্ৰতি কৰ্তব্য পালন কৰি আছোঁ—এই উপলব্ধিৰেই মই কাম কৰিছোঁ। আমি হিন্দু বা মুছলমান, পাৰ্শী বা ইশাঈ বা আন যি ধৰ্মৰেই নহওঁ—সৰাৰো উপৰি—আমি ভাৰতীয়, আমাৰ দেশ হ'ল ভাৰতবৰ্ষ আৰু আমাৰ জাতীয়তা হ'ল ভাৰতীয়তা।"

আমি জানোনে ?

১. পৃথিৱীৰ আটাইতকৈ ডাঙৰ আৰু গধুৰ প্ৰাণী কি ?
২. পৃথিৱীৰ আটাইতকৈ ওখ প্ৰাণী কি ?
৩. পৃথিৱীৰ আজিকোপতি সৰ্বাধিক ওজনৰ মানুহজন কোন ?
৪. তেওঁৰ ওজন কিমান ?
৫. আটাইতকৈ অধিক ওজনৰ নাৰী কোন ?
৬. তেওঁৰ ওজন কিমান ?

[উ : ৩৬ পৃ :]

কাৰ্তিকেয়



তাৰকাসুৰ নামৰ ৰাক্ষসে ব্ৰহ্মাৰপৰা অপূৰ্ব বৰ লাভ কৰি অতি অহংকাৰী হৈ উঠিছিল। ইন্দ্ৰ আদি দেৱতাসকলে তাৰকাসুৰৰ অত্যাচাৰ তথা অহংকাৰ সহিব নোৱাৰি তাক দমনৰ মনেৰে দেৱাদিদেৱ মহাদেৱৰ শৰণ ল'লে। মহাদেৱে তেওঁৰ তৃতীয় নেত্ৰৰপৰা দিব্যতেজ উলিয়াই এক দিব্য-শিশুক স্ৰজিলে। লগে লগে ছগৰাকী কৃত্তিকা-মাতৃয়ে এই দিব্য-শিশুক স্তন্যপান কৰাবলৈ ধৰিলে। এই শিশুৰ ছটি মস্তক আৰু বাৰখন হাত হ'ল। কাৰ্তিকে এই শিশুক পালন কৰা বাবে শিশুটিৰ নাম হ'ল কাৰ্তিকেয়। ছটা মস্তক থকাহেতুকে কাৰ্তিকেয়ক ষড়মুখ বুলিও কোৱা হৈছিল। কাৰ্তিকেয়ক—কুমাৰ, স্কন্দ, সুব্ৰহ্মণ্য, গুহ, শৰৱণ নামেৰেও অভিহিত কৰা হৈছিল।

দেৱাদিদেৱ মহাদেৱ আৰু মাতা পাৰ্বতীয়ে কাৰ্তিকেয়ক নিজ পুত্ৰ বুলি স্বীকাৰ কৰিছিল। কাৰ্তিকেয়ক দেৱতা সকলৰ সেনাধিপতি পতা হৈছিল।

কার্তিকেয়ই ৰাক্ষসইঁতক যুদ্ধলৈ আহ্বান জনাইছিল আৰু ৰাক্ষসইঁতক বধ কৰি দেৱতাসকলক অস্বস্তি তথা অপমানৰপৰা মুক্ত কৰিছিল। কার্তিকেয়ই তাৰকাসুৰকো সংহাৰ কৰি স্বৰ্গস্থ দেৱতাসকলক অকথ্য অত্যাচাৰৰপৰা ৰক্ষা কৰিছিল।

বীর্যৱান-শক্তিমান দেৱ-সেনাপতিৰূপে কার্তিকেয় আছিল সমগ্ৰ দেৱতাকুলত, আনকি ক'বলৈ গ'লে তেতিয়াৰ ত্ৰিজগতত্তো অপ্ৰতিদ্বন্দ্বী। অগণিত ভক্তই কার্তিকেয়ৰ বিভিন্ন ধৰণৰ গুণাৱলীৰ গুণগান আজিও অবিৰতভাবে কৰি আছে।

সম্বাদ-বি-সম্বাদ

বিচিত্ৰ প্ৰথা !

কর্ণাটক ৰাজ্যৰ চাৰৱাড়ৰ ওচৰত গদগ অঞ্চলত জন্মান্ধ পঞ্চাক্ষৰী গানী নামৰ সংগীত বিশাৰদে ১৯১৪ চনত এখন সংগীত বিদ্যালয় স্থাপন কৰিছিল। সেই প্ৰতিষ্ঠাৰ দিনৰপৰা আজিলৈকে এই সংগীত-বিদ্যালয়ত এজন-নহয়-এজন জন্মান্ধ সংগীত শিক্ষার্থী থাকিবই লাগিব! আজিৰ দিনৰ সুপ্ৰসিদ্ধ সংগীতজ্ঞ শিমোগা বেণুগোপাল এইখন সংগীত বিদ্যালয়তে শিক্ষাপ্ৰাপ্ত প্ৰতিভাবান জন্মান্ধ সংগীতজ্ঞ।

শৰ্টহ্যাণ্ড ৰেকৰ্ড

লোকসভাৰ ৰিপোর্টাৰ হৰিশচন্দ্ৰ বিস্তে ২৯তম অখিল ভাৰতীয় শৰ্টহ্যাণ্ড চেম্পিয়ন-প্ৰতিযোগিতাত মিনিটে প্ৰতি ২৫০টা শব্দ লিপিবদ্ধ কৰি প্ৰথম স্থান অধিকাৰ কৰিছে। বিগত দুবছৰৰ প্ৰতিযোগিতাতো এওঁৱেই বিজয়ী হৈছিল। ২১ বছৰীয়া বিস্তৰ দেউতাকৰো ১৯৮০ চনত এনেকুৱা ৰেকৰ্ডেই আছিল!

সাহিত্যৰ ফুলনিত

১. উজ্জয়িনী, ষ্ট্ৰাটফৰ্ড-অন্-আভন্, ট্ৰয়, অযোধ্যা, মাইলাপুৰ—এইবোৰ অঞ্চলক লৈ ৰচনাকাৰী কবি-সাহিতিকসকল কোন কোন ?

২. য'ত অধিকসংখ্যক ইংৰাজ লেখকৰ কবৰ আছে, সেই ঠাইৰ নাম কি।

৩. ইন্দো-এংলিয়ান লেখক কাক বোলে ?

৪. প্ৰাচীন ভাৰতৰ সংস্কৃত ভাষাৰ শ্ৰেষ্ঠ বৈয়াকৰণ কোন ?

৫. তেওঁ কেতিয়া জীয়াই আছিল আৰু তেওঁৰ গ্ৰন্থৰ নাম কি আছিল ?

উত্তৰ

জানোনে ?

১. নীলবৰণীয়া তিমিংগিল বা ব্লু হোৱেল।

২. জিৰাফ।

৩. আমেৰিকাৰ জন ব্ৰাউৱাৰ মিলোচ (১৯৪১—৮৩)।

৪. ৬৩৫ কিল'গ্ৰাম।

৫. আমেৰিকাৰ পের্সি পার্ল (১৯২৬—৭২)।

৬. ৩৯৯ কিলোগ্ৰাম।

সাহিত্য

১. কালিদাস, শ্বেকছপিয়্যাৰ, হোমাৰ, বাল্মিকী আৰু তিৰুবল্লুবৰ।

২. লণ্ডনৰ ওৱেষ্টমিনিষ্টাৰ অ্যাবে।

৩. ইংৰাজিত লেখা-মেলা কৰা ভাৰতীয়।

৪. পাণিনী।

৫. খৃষ্টপূৰ্ব চতুৰ্থ শতিকা। অষ্টাধ্যায়ী।

জগতৰ পৌৰাণিক কাহিনী (৫)

পাৰ্ছিউছ-এণ্ড্ৰোমেডা

আৰ্গোছৰ ৰজা এক্ৰিছিউছে যেতিয়া এই ভৱিষ্যৎবাণী জ্ঞাত হ'ল যে তেওঁৰ জীয়েকৰ নৱজাত ল'ৰাটোৱেই হ'ব তেওঁৰ হত্যাকাৰী, তেতিয়া তেওঁ তাইৰ পুত্ৰটিৰে সৈতে জীয়েকক ৰাজ্যৰ-পৰা বহিষ্কৃত কৰিবলৈ দিহা ল'লে।

ৰজা এক্ৰিছিউছে শিশু সন্তানটিৰে সৈতে জীয়েকক এখন নাৱত বহুৱাই বিক্ষুব্ধ সমুদ্ৰৰ বুকুলৈ উটুৱাই দিলে। কিন্তু ঢৌতে খঁৰ মাৰি মাৰি সেই অভিশপ্ত নাওখন এটি দ্বীপৰ তীৰত লাগিলগৈ।

এজন মাছমৰীয়াই সাগৰৰ ঢৌৱে উটুৱাই লৈ অহা এই মাক-পুতেকক দেখা পাই সেই দ্বীপৰ ৰজাৰ ওচৰলৈ লৈ গ'ল। দ্বীপৰ ৰজাই অপাৰ মৰমেৰে মাতৃ আৰু পুত্ৰক এটি মন্দিৰত আশ্ৰয় দিলে।

বহু বহু বছৰ পাৰ হ'ল। সেই শিশু-পুত্ৰটি এতিয়া এজন চফল ডেকা হৈ উঠিল। সি ইমানেই সাহিয়াল-পাহুৱাল ডেকা হিচাপে জনাজাত হ'ল যে—স্বয়ং ৰজাও তাৰ প্ৰতি ঈৰ্ষান্বিত হৈ উঠিল।

এদিন ৰজাই এক বিশেষ ভোজৰ অনুষ্ঠা৹ ত অন্যান্য ৰাজপুত্ৰৰ সৈতে এই যুৱক পাৰ্ছিউছকো ভোজ খাবলৈ মাতিলে। প্ৰতিজন নিমন্ত্ৰিতয়েই ভোজন৹ অন্তত ৰজাক এটাকৈ মূল্যৱান অশ্ব উ হাৰ দিলে। কিন্তু পাৰ্ছিউছে ৰজাক উপহাৰ দিব োৱাত অন্যান্য নিমন্ত্ৰিত তাক ইতিকিং কৰিলে।

তেতিয়া পাৰ্ছিউছে ৰজাক সুধিলে, "মহাৰাজ! অশ্বৰ পৰিবৰ্তে আপোনাক মই অন্য কি দিব পাৰোঁ—ক'বনে?" "মেডুছাৰ মূৰ!" ৰজাই উত্তৰ দিলে। মেডুছা আছিল এক বিকট ৰাক্ষসী। এই ৰাক্ষসীৰ চকুলৈ চোৱা মাত্ৰেই চাওঁতাই শিলৰ মূৰ্তিলৈ ৰূপান্তৰিত হৈছিল। কিন্তু পাৰ্ছিউছে মেডুছাৰ মূৰ ৰজাক আনি দিব বুলি কথা দিলে।

মেডুছা ৰাক্ষসীক ক'ত বিচাৰি পোৱা যাব—পাৰ্ছিউছে নাজানিছিল। কিন্তু তাইৰ আন তিনিজনী ভনীয়েকৰ থকা ঠাইৰ সন্তেদ পাইছিল পাৰ্ছিউছে। এই ৰাক্ষসী ভনীয়েককেইজনীৰ আছিল এটা মাথোন চকু আৰু এটা দাঁত। এই দাঁত আৰু চকুটো সিঁহঁতি এটা বাকচত ভৰাই থৈছিল আৰু যাৰ যেতিয়া দৰকাৰ লগাই লৈছিল। পাৰ্ছিউছে এই বাকচটো লুকাই থ'লে আৰু মেডুছাৰ সন্তেদ পোৱাৰ পাছতহে ঘূৰাই দিলে।

পাৰ্ছিউছে দেৱতাসকললৈ প্ৰাৰ্থনা কৰিলে আৰু দেৱতাসকলে পাৰ্ছিউছক দিলে অপৰিসীম শক্তি। তাৰ পাছত পাৰ্ছিউছ ভয়ংকৰী ৰাক্ষসী মেডুছাক বধিবলৈ আগবাঢ়িল। পাৰ্ছিউছে মেডুছাৰ পিনে দৃষ্টিপাত নকৰি তাৰ ঢালত তাইৰ প্ৰতি দৃষ্টিপাত কৰিলে।

দেৱতাসকল পাৰ্ছিউছৰ প্ৰতি অত্যন্ত সদয় আছিল। পাৰ্ছিউছে ৰাক্ষসী মেডুছাৰ মূৰ ঘপিয়াই কাটি পেলালে। মেডুছাৰ মূৰৰপৰা ওলোৱা তেজ সাপলৈ ৰূপান্তৰিত হ'ল। কিন্তু পাৰ্ছিউছে সেইবোৰলৈ ভ্ৰূক্ষেপো নকৰি মেডুছাৰাক্ষসীৰ মূৰটো লৈ দ্বীপলৈ বুলি খোজ ল'লে।

উভতি যাওঁতে এথিয়োপিয়াৰ সমুদ্ৰতীৰত পাৰ্চিউছে এচটা প্ৰকাণ্ড শিলৰ গাত এণ্ড্ৰোমেডা নামৰ যুৱতী এজনীক কটকটীয়াকৈ বন্ধা অৱস্থাত দেখা পালে। এজনী নিষ্ঠুৰ-ক্ৰূৰ সাগৰ-ৰাক্ষসীয়ে এণ্ড্ৰোমেডাক এইদৰে বান্ধিছিল। তাইৰ মাক-দেউতাকে তাইক ৰাক্ষসীৰ কৱলৰপৰা ৰক্ষা কৰিব পৰা নাছিল।

উগ্ৰ খড়্গতে পাৰ্ছিউছে সমুদ্ৰৰ উত্তাল বুকুলৈ জঁপিয়াই পৰিল আৰু সেই সাগৰ-ৰাক্ষসীক বধিলে। ৰাক্ষসীয়ে তেজ-গোট-মৰা আৰ্তনাদ কৰি মৰণত শৰণ ল'লে আৰু তাৰ পাছত পাৰ্ছিউছে এণ্ড্ৰোমেডাক মুক্ত কৰিলে।



এণ্ড্ৰোমেডাৰ পিতৃ মাতৃয়ে জীয়েকৰ মুক্তিৰ আনন্দতে কান্দি থাকিল। তেওঁলোকে তেওঁলোকৰ ছোৱালীজনীক বিয়া কৰাবলৈ পাৰ্ছিউছক অনুৰোধ কৰিলে। এই প্ৰস্তাৱত পাৰ্ছিউছ আনন্দেৰে সন্মত হ'ল আৰু তেতিয়াই এণ্ড্ৰোমেডাক বিবাহ কৰালে। এই ঘটনা আছিল প্ৰত্যেকৰ পক্ষেই এক আনন্দময় ঘটনা।

[পৰৱৰ্তী সংখ্যাত পাৰ্ছিউছৰ অন্যান্য অভিযানৰ বিষয়ে কোৱা হ'ব।]

যখৰ হাঁহি

যক্ষস্থল নামৰ ৰাজ্যত কোনোবা এজন হালোৱা আছিল। তাৰ নাম আছিল নন্দু। খেতি-বাতি জোখে-জোখাৰে তো আছিলেই তাৰ, গৰু-ম'হ আদিও আছিল ঢেৰ। তথাপি কিপিণ।

এদিন ধলপুৱাতে গৰু-ম'হবিলাকক ঘাঁহ-পানী দিয়াৰ অন্তত নন্দুৱে খেতি-পথাৰলৈ বুলি খোজ ল'লে। বাটত— এঠাইত গছ-বন-জোপোহাৰ আঁৰত কাৰোবাৰ নাকৰ ঘোৰ্ঘোৰণিৰ শব্দ শুনি নন্দুৱে বৈ দিলে। এনে নিজম-নিজান গছ-বনেৰে ঠাহ খাই থকা ঠাইত কোনেনো টোপনিয়াইছে ?

কথাটোৰ ভেদ লওঁতে ভেদ ভাঙিল। জোপোহাৰ আঁৰত—যখ এটা—যখ এটাইহে টোপনিয়াইছে !

এই ৰাজ্যত যখৰ সীমা-সংখ্যা নাছিল এসময়ত। সেইহে নাম হৈছিল যক্ষস্থল।

যখটোৱে এটা প্ৰকাণ্ড আকাৰৰ বেং-ছতাৰ অৰ্থাৎ কাঠফুলাৰ তলত টোপনিয়াই আছিল। যখটো দেখাত আছিল নিচেই সৰু। টোপনিয়াই থকা সৰু যখটোক দেখা মাত্ৰেই নন্দুৰ মগজুত এক দুৰ্বুদ্ধিয়ে বাহ ল'লে।

এসময়ত যখবিলাকে মানুহৰ লগত কথা পাতিছিল, সিহঁতৰ অলৌকিক শক্তিৰে মানুহৰ নানান উপকাৰো কৰিছিল। কিন্তু এতিয়া—সেই ৰামো নাই সেই অযোধ্যাও নাই। দিন বদলিল, কাল বদলিল, ৰীতি-নীতি বদলিল। এতিয়া আৰু যখে-মানুহে মিতিৰালি নাই।

নন্দুৱে ভাবিলে : তথাপি, এই

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

যখটোক বন্দী কৰিব পাৰিলে তাৰদ্বাৰা গুপ্তধন নিশ্চয় পোৱা যাব।

ভবা মতে কাম—নন্দু তাৰ নাম। যখটোৱে যেতিয়া চকু মেলি চালে, তেতিয়া সি নন্দুৰ হাতত বন্দী।

যখটোৱে চিঞৰি উঠি ক'লে, "কিয় মোক বান্ধিছা ? এৰি দিয়া মোক, মই তো তোমাৰ কোনো অনিষ্ট নাই কৰা।"

"তুমি অনিষ্ট কৰা বুলি মই কৈছোনে ?" নন্দুৱে তাক মিঠা মাতেৰে ক'লে, "তুমি মোৰ কিছু ইষ্ট কৰি দিয়া। মোক গুপ্তধনৰ সম্ভেদ দিয়ামাত্ৰেই তোমাক মই এৰি দিম।"

"গুপ্তধন ?" যখটোৱে ক'লে, "সেইবোৰ মই একোৱেই নাজানো।"

"ইমান সহজে এৰি দিয়া ভকত মই নহওঁহে যখৰ পো। হয় দিবা গুপ্তধন, নহ'লে মৰণ।" এই বুলি কৈ নন্দুৱে যখটোক এটা ডাঙৰ কাঠৰ পেৰাত তলা মাৰি থৈ দিলে।

এমাহ পাৰ হ'ল, দুমাহ পাৰ হ'ল ; কিন্তু যখটোৱে নন্দুক গুপ্তধনৰ সা-সম্ভেদ একোৱেই দিয়া নহ'ল।

এদিন নন্দু আন এখন গাঁৱলৈ কিবা কামলৈ গৈ থাকোঁতে হাবিৰ কাষত মস্ত দীঘল এডোখৰ কাঠৰ টুকুৰা পৰি থকা দেখা পালে। সি সেই মস্ত দীঘল কাঠৰ টুকুৰাটো বুটলি ওচৰতে থকা ভোলা

বাঢ়ৈৰ ওচৰত বেচি দিলে।

তাৰ পাছত কাম-বন সামৰি নন্দু যেতিয়া ঘৰলৈ ঘূৰিল, তেতিয়া কাঠৰ পেৰাত থকা যখটোৱে হাঁহি উঠিল।

বিৰক্ত হৈ নন্দুৱে যখটোক ক'লে, "হাঁহি নাথাকিবা। যদি মুক্তিৰ মন আছে—এতিয়াও গুপ্তধনৰ সন্তেদ দিয়া।"

কিছুদিনৰ অন্তত নন্দুৰ আত্মীয় এজন আহিল। আত্মীয়জনে নন্দুৰ কিৰ্পিণালিৰ কথা ভালেকৈয়েই জানিছিল। সেইহে—নন্দুৱে যেতিয়া ক'লে, 'হেৰা, খাই-বৈ যোৱাহেঁতেন—বৰ ভাল পালোহেঁতেন; কিন্তু — বন্ধা-বঢ়াত ঢেৰ দেৰী হ'ব' তেতিয়া আত্মীয় মুকুন্দই 'নাই নাইঃ, মোৰ দেৰী হৈ যাবঃ'—বুলি কৈ গুচি গ'ল।

কিন্তু নন্দুৰ ঘৰৰপৰা অলপমান আঁতৰত এটা ষাঁড়ে মুকুন্দক খুন্দিয়াই বগৰাই পেলালে। মুকুন্দ অত্যন্ত আহত হ'ল আৰু তেতিয়া নন্দুৱে বাধ্যত পৰি মুকুন্দক এমাহমান ঘৰত ৰাখিবলগা হ'ল।

আৰু এইবাৰো কাঠৰ পেৰাত থকা যখটোৱে পুনৰ হাঁহি উঠিল।

কেইদিনমানৰ পাছত নন্দুৱে মাটিৰ তলত পুতি থোৱা তাৰ সাঁচতীয়া ধনৰ পাত্ৰটো মাটি খান্দি উলিয়াই আনি তাৰ-পৰা কিছুখিনি ধন উলিয়াই লৈ পুনৰ পাত্ৰটো মাটিৰ তলত পুতি থ'লে।

তাৰ পাছত—নন্দুৱে সেই ধন খৰচ



কৰি চহৰৰপৰা ইটো-সিটো কিনি যেতিয়া পুনৰ ঘৰ পালেহি, তেতিয়া কাঠৰ পেৰাত বন্ধ হৈ থকা যখটোৱে পুনৰ হাঁহি উঠিল।

এইবাৰ খঙতে নন্দুৱে পেৰাৰপৰা যখটোৰ কাণত ধৰি উলিয়াই আনিলে আৰু ক'লে, "তোমাৰ এইবোৰ হাঁহিৰ অৰ্থ কি? যদি মোক এই হাঁহিৰ অৰ্থ ভাঙি-পাতি নোকোৱা, তেনেহ'লে আজি তোমাৰ যমৰ ঘৰলৈ পঠাই দিম।"

তেতিয়া যখে নন্দুক ক'লে, "বাৰু, শুনা তেন্তে। —তুমি হাবিৰ কাষত যিডোখৰ কাঠৰ টুকুৰা বুটলি পাইছিলা আৰু ভোলা-বাঢ়ৈক বেচিছিলা, সেই কাঠডালৰ যহতে ভোলা-বাঢ়ৈ এতিয়া বহি-খোৱা ফুকন বোলাব পৰা হ'ল; কিয়নো —সেইডোখৰ কাঠৰ ভিতৰত আছিল সোণ-মণি মুকুতাৰ ঐশ্বৰ্য্য। তুমি পায়ো হেৰুউৱাত মোৰ হাঁহি উঠিছিল।"

"বুজিলোঁ। পিছে—দ্বিতীয়বাৰ কিয় হাঁহিলা?" নন্দুৱে নাৰৰ বাৰত টুকুৰিয়ালে।

"দ্বিতীয়বাৰ—তুমি এসাজো খাবলৈ নিদিয়াৰ মনেৰে মুকুন্দক খেদিলা আৰু তাৰ পাছত তাক এসাজৰ সলনি এমাহলৈ ৰাখি খুৰাল-বুৰালা-গাঁঠিৰ ধন ভাঙি চিকিৎসা কৰিবলৈ বাধ্য হ'লা। এসাজ খাবলৈ নিদিয়াত পাটী পাৰিবলৈ দিবলগা হ'ল বুলি মই দ্বিতীয়বাৰ হাঁহিছিলোঁ।" যখটোৱে ক'লে।

"আৰু তৃতীয়বাৰ? মানে এইবাৰ?"

"কিয়নো—আজি তোমাৰ সাঁচনৰ ধন কাছনত গ'ল। মাটি খান্দি ধন উলিয়ালা, আৰু সেই কিপিণৰ ধন সোপাকে হেৰুৱালা। চোৰে লৈ গ'ল।"

যখটোৱে কথাটো ক'বলৈ পালেহে, নন্দুৱে চিঞৰি চিঞৰি নেগুৰছিগা লৰ দি ধন পুতি থোৱা ঠাইলৈ গ'ল আৰু এই ছেগতে যখটোও তাৰপৰা বেগাই ওলাই কেনিবাদি পলাই নোহোৱা হ'ল।

বীৰ হনুমান

মৈনাকৰ নিমন্ত্ৰণত তুষ্ট হৈ হনুমানে মৈনাকক ক'লে, "মৈনাক, তোমাৰ এই বচনেই হ'ল মোৰ বাবে মহান আতিথ্য। মই সোঁশৰীৰে যদিও তোমাৰ আতিথ্য গ্ৰহণ কৰিবলৈ নৰওঁ, তথাপি তুমি এই বাবে খেদ নকৰিবা। এতিয়া মোৰ বিলম্ব কৰাৰ সময় নহয়। সূৰ্য্যাস্তৰ আগতেই যেনতেনে লংকানগৰী পাবগৈ লাগিব। মই মোৰ সংগীহঁতক এই কথা কৈ আহিছোঁ, গতিকে মই এতিয়া ইয়াত একোপধ্যো ৰ'ব নোৱাৰিম।"

হনুমানে মৈনাকক হস্তেৰে স্পৰ্শ কৰিলে আৰু তাৰ পাছমুহূৰ্তত আকাশপথেদি পুনৰ প্ৰচণ্ড বেগেৰে গতি ল'লে।

"হে হনুমান! তুমি তোমাৰ আৰব্ধ কাৰ্য্যত সফল হোৱাঁ!" এই বুলি কৈ মৈনাক আৰু লগতে সাগৰেও হনুমানক হিয়াভৰা আশীৰ্বাদ দিলে।

এইবোৰ ঘটনাৰ প্ৰত্যক্ষদৰ্শী দেৱগণ, মহৰ্ষি, সিদ্ধপুৰুষ আৰু দেৱৰাজ ইন্দ্ৰয়ো মনতে মৈনাকৰ শলাগ ল'লে।

ইন্দ্ৰই মৈনাকক ক'লে, "মৈনাক, তোমাৰ আচৰণত মই বাস্তৱিকতেই মুগ্ধ হৈছোঁ। আগলৈ মোৰপৰা তোমাৰ কদাপি কোনো বিপদ নহ'ব।"

ইন্দ্ৰৰ কথাত মৈনাক মনে-চিতে আনন্দিত হ'ল।

তিমানতে হনুমান সাগৰৰ বুকুৰেদি

বহু দূৰলৈকে গুচি গৈছিল। হঠাৎ দেৱতা আৰু গন্ধৰ্বসকলৰ মনত হনুমানৰ বল-শক্তিৰ পৰিমাপ ল'বলৈ মনত ইচ্ছা জাগিল। তেওঁলোকে নাগমাতা সুৰসাক ক'লে, "পৱনপুত্ৰ হনুমান সাগৰ পাৰ হৈ উৰি গৈ আছে। তুমি পৰ্বতদেহী ৰাক্ষসীৰ ৰূপ ধাৰণ কৰি হনুমানক বাধা দিয়া। হনুমানে তোমাক পৰাজিত কৰিব পাৰেনে কি আমি চাবলৈ বিচাৰোঁ।"

দেৱতাসকলৰ আদেশক্ৰমে নাগমাতা সুৰসাই মুহূৰ্ততে ভয়াল বিকৃত ৰূপ ধাৰণ কৰি হনুমান উৰি গৈ থকা আকাশ-পথত প্ৰাচীৰৰ দৰে দণ্ডায়মান হৈ ক'লে, "হে হনুমান, দেৱতাসকলে তোমাক মোৰ আহাৰ ৰূপে সমৰ্পণ কৰিছে। মই তোমাক খাম। তুমি মোৰ মুখৰ ভিতৰলৈ এই মুহূৰ্ততে প্ৰবেশ কৰা।"

এই বুলি কৈ নাগমাতাই মুখ প্ৰকাণ্ড-ভাবে মেলি ধৰাত হনুমানে হাত যোৰ কৰি ক'লে, "মহাৰাজ দশৰথৰ পুত্ৰ শ্ৰীৰামচন্দ্ৰই পিতৃআজ্ঞাত পত্নী সীতাৰে সৈতে বনবাস কৰি থাকোঁতে এদিন ৰামৰ অনুপস্থিতিত দণ্ডকবনৰপৰা ৰাক্ষসৰজা ৰাৱণে সীতাদেৱীক অপহৰণ কৰিলে। শ্ৰীৰামচন্দ্ৰৰ দূত ৰূপে মই সীতামাতৃৰ সন্দৰ্শনলৈ ওলাইছোঁ। এই কাৰ্য্যত তুমিও যদি আমাক সহায় কৰা, আমি তোমাৰ ওচৰত কৃতজ্ঞ হৈ থাকিম আৰু—ৰামচন্দ্ৰৰ এই কাৰ্য্য সম্পাদনৰ অন্তত মই নিশ্চয় তোমাৰ মুখৰ ভিতৰলৈ নিজে নিজেই সোমাই যাম।"

নাগমাতা সুৰসাই ক'লে, "মোক কোনেও এৰাই যাব নোৱাৰিব—মই এই বৰ প্ৰাপ্ত হৈছোঁ।"

সুৰসাৰ মুখ মেলা অৱস্থাতে আছিল। তাইৰ মুখৰ ভিতৰফাল দেখাত এটা গুহাৰ দৰে। অকস্মাৎ হনুমানে ক্ষুদ্ৰ আকাৰ ধাৰণ কৰি নাগমাতা সুৰসাৰ মুখ-গহ্বৰলৈ সোমায়েই পুনৰ ওলাই

আহি নাগমাতাক ক'লে, "হে দক্ষ-পুত্ৰী! তোমাক নমস্কাৰ। মই তোমাৰ মুখ-বিবৰলৈ এইমাত্ৰে সোমাই পুনৰ ওলাই আহিছোঁ। এতিয়া মোক সীতামাতৃৰ সমীপলৈ যাবলৈ অনুমতি প্ৰদান কৰা।"

সুৰসাই নিমিষতে ৰাক্ষসীৰূপ এৰি নাগমাতাৰ ৰূপ লৈ ক'লে, "হনুমান, তোমাৰ আৰব্ধ কাৰ্য্য মংগলজনক ভাবে সুসম্পন্ন হওক, এই কামনাৰে তোমাক আমি বিদায় দিছোঁ।"

আৰু লগে লগে হনুমানে পুনৰ লংকালৈ বুলি মাৰিলে উৰা।

তেতিয়া সাগৰৰ জলৰাক্ষসী সিংহিকাই হনুমানক দেখি ভাবিলে: এই জন্তুটোক মই আজি খাম।—কথাটো ভবামাত্ৰেই সিংহিকাই হনুমানৰ ছাঁটোক চকুৰ পচাৰতে থাপ মাৰি ধৰি সৰ্বশক্তিৰে টনা-আঁজোৰা কৰিবলৈ ধৰিলে।

আগুৰাই গৈ থকা অৰ্ণবপোত এখনক প্ৰতিকূল বায়ুৱে যেনেকৈ গতিৰুদ্ধ কৰি পেলায় ঠিক তেনেকৈ ছাঁটোকে থাপ মাৰি ধৰি জল-ৰাক্ষসী সিংহিকায়ো হনুমানৰ গতিৰোধ কৰি পেলালে। হনুমানে ইফালে-সিফালে চাই সাগৰত জল-ৰাক্ষসী সিংহিকাক দেখা পালে। এই জল-ৰাক্ষসীৰ অপৰিসীম শক্তিৰ কথা সুগ্ৰীৱে কথা-প্ৰসংগত হনুমানক কৈছিল। হনুমানে নিজক ক্ষুদ্ৰাতিক্ষুদ্ৰ কৰি সিংহিকাৰ মুখৰ ভিতৰলৈ সোমাই গ'ল আৰু পাছ মুহূৰ্তত সিংহিকা ৰাক্ষসীৰ পেট ফালি পুনৰ ওলাই আহিল।

তৎপৰ হনুমানে পুনৰ যাত্ৰাৰম্ভ কৰিলে। চাওঁতে চাওঁতে হনুমানে এইবাৰ সাগৰ পাৰ হওঁ হওঁ হ'ল। সাগৰৰ সিপাৰৰ তট, সাগৰপৰীয়া বনভূমি হনুমানৰ দৃষ্টিগোচৰ হ'ল। তাৰ পাছত হনুমানে দেখা পালে লংকাদ্বীপ, মলয়-পৰ্বতৰ অৰণ্যভূমি ইত্যাদি।

হঠাৎ হনুমানৰ ভাব হ'ল: ৰাক্ষস-

বিপাকে যদি মোৰ ইমান বৃহৎ দেহ দেখা পায়—ৰাক্ষসইঁতে ভয় খাই মোক আক্ৰমণ কৰিবই।

হনুমানে পুনৰ ক্ষুদ্ৰ আকাৰ ধাৰণ কৰি লংকাৰ পাহাৰ এটাত দণ্ডায়মান হৈ লংকানগৰীৰ ৰূপ দৰ্শন কৰি থাকিল: লংকা নগৰীৰ ৰূপ ইন্দ্ৰৰ অমৰাৱতীতকৈ কোনোগুণে কম নাছিল।

ত্ৰিকূট পৰ্বতৰ শিখৰত লংকা নগৰী অৱস্থিত। লংকা নগৰীৰ চাৰিওফালে বিৰাট বিৰাট গুহা বা গহ্বৰ আৰু অসংখ্য সৰোবৰ। সৰোবৰত পদুমৰ সমদল। আৰু লংকা নগৰী স্বৰ্ণপ্ৰাচীৰেৰে আগুৰা। সেই প্ৰাচীৰৰ দ্বাৰত কঠোৰ-কঠিন প্ৰহৰা, আনকি এটা মাখিও সেই কঠোৰ প্ৰহৰাক ফাঁকি দি সোমাব নোৱাৰে। লংকা নগৰীৰ ওখ ওখ প্ৰাসাদৰ চূড়াবোৰো স্বৰ্ণনিৰ্মিত। চতুৰ্দিশে ফুলৰ সমাৰোহ। ত্ৰিকুট শিখৰৰপৰা লংকানগৰীক দেখাত এক অতি বিচিত্ৰ আকাশী-নগৰী যেন লাগিছিল। এই অপূৰ্ব লংকানগৰীৰ নিৰ্মাণকৰ্তা আছিল স্বয়ং বিশ্বকৰ্মা।

হনুমান লংকানগৰীৰ উত্তৰ-দ্বাৰলৈ গ'ল আৰু তাত এচুকত থিয় হৈ ৰাৱণৰ অনুচৰৰ সংখ্যাৰ উমান এটা লোৱাৰ চেষ্টা কৰি কৰি মনতে নানান কথাৰ গুণা-গঁথা কৰি থাকিল।

এসময়ত এই লংকানগৰীৰ অধীশ্বৰ আছিল কুবেৰ। কিন্তু এতিয়া আৰু সেই কুবেৰৰ প্ৰবেশাধিকাৰ নাই। মন কৰিলেও ইমান ভয়ংকৰ প্ৰহৰা ভেদ কৰি কুবেৰে বা কোনোৱেই প্ৰবেশ কৰিব নোৱাৰিব।

হনুমানে ভাবিলে: সাধাৰণ বানৰ-সৈন্যই ইমান বিস্তীৰ্ণ সাগৰ পাৰ হৈ কেনেকৈনো লংকানগৰী পাবহি? আহি পালেওবা কি লাভ হ'ব? এনে সুৰক্ষিত লংকানগৰীলৈ আনকি দেৱতাসকলো প্ৰবেশ কৰিবলৈ টান পাব। ৰামচন্দ্ৰ যিমানেই পৰাক্ৰমশালী নহওক — এই



দুৰ্ভেদ্য নগৰীলৈ আহিওবা কৰিব কি? আৰু—ৰাক্ষসইঁত অতি শক্তিশালী আৰু ক্ৰূৰ তথা নিৰ্মম। ইহঁতৰ বিৰুদ্ধে ইয়ালৈ আহি যুদ্ধ কৰিলে কিমান লাভ হ'ব—কোৱা টান। আৰু সাগৰ অতিক্ৰমৰ শক্তি কেৱল মোৰ, অংগদৰ, নীলৰ আৰু সুগ্ৰীৱৰহে আছে। আন কোনোৰেই এনে দুস্তৰ সাগৰ অতিক্ৰমি কদাপি এই নীল জলৰাশি পৰিবেষ্টিত আহিব নোৱাৰিব।

পাছ মুহূৰ্তত হনুমান অন্য এক বিশেষ চিন্তাত নিমগ্ন হ'ল।

হনুমানে ভাবি থাকিল: সীতাদেৱী ইমান বিৰহ যাতনা সহি এতিয়াও জীয়াই আছেনে? তেওঁ যদিহে জীয়াই আছে—এইবোৰ কথা চিন্তা কৰাৰ অৰ্থ আছে; নতু, নাই।

লংকা নগৰীলৈ প্ৰবেশ কৰাৰ ক্ষেত্ৰত হনুমানে ভাবিলে: মোৰ বিশাল দেহ দেখি ৰাক্ষসইঁতে মোক নিশ্চয় আক্ৰমণ কৰিব। আকৌ—অতি ক্ষুদ্ৰ হওঁ যদি—লংকানগৰী চাই ফুৰোঁতেই উৱাই ৰাতি পুৱাই যাব। গতিকে—

হনুমানে স্বাভাৱিক আকৃতি ল'লে আৰু ৰাতিৰ পৰতে সমগ্ৰ লংকানগৰী পৰিভ্ৰমণ কৰাৰ দিহা কৰিলে। কিয়নো—সীতাক দেখা পোৱাৰ আগতে ৰাক্ষসৰ হাতত ধৰা পৰাৰ অৰ্থ হ'ব নিষ্ফলতা। ৰাক্ষসইঁতে তেতিয়া হনুমানক ৰাৱণৰ ওচৰলৈ লৈ যাব, আৰু ৰাৱণে তেতিয়া নিশ্চয় ৰামচন্দ্ৰৰ দূত হিচাপে হনুমানক ৰেহাই নিদিব।

গতিকে — হনুমান সূৰ্য্যাস্তলৈকে প্ৰতীক্ষা কৰি থাকিল আৰু মুনি-চুনিৰ পৰতে নিজৰ দেহক এটা বিড়ালৰ সমান কৰিলে। আৰু তাৰ পাছত জাঁপ মাৰি মাৰি লংকানগৰীৰ সমীপলৈ গ'ল।

লংকানগৰীৰ বাট-পথ অতি সুন্দৰ। তাৰ হৰ্ম্য তথা অট্টালিকাৰাজিৰ সৌন্দৰ্য্য অতুলনীয়। নগৰৰ য'ত ত'ত বহুতো



ঠাইত ফটিক আৰু মণি-মুকুতাৰ কাৰুকাৰ্য্য চকুত পৰে। লংকা নগৰখনক দেখাত গন্ধৰ্ব্ব নগৰহেন লাগে। এনেহেন লংকা নগৰখন বানৰসৈন্যই যে কেনেকৈ অধিকাৰ কৰি ল'ব—সেই কথা হনুমানে একোপধ্যে ভাবি উলিয়াব নোৱাৰিলে। যি কি নহওক — ইয়াত হনুমানৰ আপাততঃ প্ৰাথমিক কাম হ'ল—সীতাদেৱীক বিচাৰি উলিউৱাহে। অন্য সকলো চিন্তা পৰিহৰি হনুমান সেই কামতে নিমগ্ন হৈ পৰিল।

তিমানতে জোন ওলাইছিল। এজন ৰাক্ষস প্ৰহৰীয়ে হনুমানক দেখা পাই সুধিলে, "তুমি কোন ? ইয়াত কি লাগে তোমাক ? কোনো বানৰক আমি আমাৰ এই নগৰলৈ সোমাবলৈ নিদিওঁ।"

প্ৰশ্নৰ উত্তৰত হনুমানে ক'লে, "তোমাৰ প্ৰশ্নৰ উত্তৰ মই অৱশ্যেই দিম। কিন্তু— তুমি কোন সেই কথাটো আগতে কোৱা। আৰু—নগৰদ্বাৰত তুমি কিয় মোক ডাবি-হুঁকি দিছা—তাকো কোৱা।"

"মই হ'লোঁ — মহাপৰাক্ৰমশালী মহতোমহীয়ান লংকাধীশ্বৰ ৰাৱণৰজাৰ সৈনিক। ৰাৱণৰজাৰ আজ্ঞাক্ৰমে মই লংকানগৰৰ দ্বাৰ ৰক্ষা কৰি আছোঁ। মোক পৰাজিত নকৰি কোনেও এই নগৰলৈ সোমাব নোৱাৰে। মই তোমাক এতিয়াই বধ কৰিম। — এতিয়া তোমাৰ বক্তব্য কোৱা শুনো।" লংকা নগৰৰ দ্বাৰৰক্ষীয়ে ক'লে।

"মই এবাৰ লংকানগৰী ঘুৰি-পকি চাম বুলি ভাবিছোঁ। এই বাবেহে ইয়ালৈ আহিছোঁ মই।" হনুমানে ক'লে।

"মোক পৰাজিত-পৰ্য্যুদস্ত নকৰাকৈ তুমি লংকানগৰীলৈ কদাপি প্ৰবেশ কৰিব নোৱাৰিবা।" দ্বাৰৰক্ষীয়ে দৃঢ়তাৰে ক'লে।

"মই লংকানগৰী দৰ্শনৰ অন্তত গুচি যাম। মোক সোমাবলৈ দিয়া।" হনুমানে ক'লে।

দ্বাৰৰক্ষীয়ে উচ্চকণ্ঠেৰে চিঞৰি উঠি

হনুমানক প্ৰহাৰ কৰিবলৈ ধৰিলে। তেতিয়া হনুমানে তেওঁৰ বাঁওহাতৰ কেঞা আঙুলিৰে দ্বাৰৰক্ষীক যিটি সৰুকৈ ঠেলা কৰিলে, সেই ঠেলাৰেই দ্বাৰৰক্ষী বপুৰা কৰ্ফাল খাই পৰিল।

হঠাৎ দ্বাৰৰক্ষীয়ে হাতযোৰ কৰি কান্দি কান্দি হনুমানক ক'লে, "দয়া কৰা—মোক বধ নকৰিবা, দয়া কৰা। তুমি বিৰাট বলী। মোক কেতিয়াবা বানৰ এটাই পৰাজিত কৰিলে ৰাক্ষসকুলৰ বিপদ হ'ব বুলি ব্ৰহ্মাদেৱে কৈছিল। আমাৰ পৰমআৰাধ্য মহা পৰাক্ৰমশালী মহতো-মহীয়ান মহাৰাজ ৰাৱণৰজাই সীতাদেৱীক অপহৰণ কৰাত এই বিপদ হ'ব বুলি ধাৰণা হৈছে। তুমি ইচ্ছামতে আমাৰ নগৰ দৰ্শন কৰা।"

তৎপৰ হনুমানে নগৰ-দ্বাৰেদি নগৰলৈ প্ৰবেশ কৰাৰ সলনি নগৰীৰ স্বৰ্ণপ্ৰাচীৰ জ'াপ মাৰি পাৰ হৈ শত্ৰুৰ প্ৰৱেশ কৰাৰ দৰে চোৰাংকৈ প্ৰবেশ কৰিলে। দ্বাৰৰক্ষীক অধিক অপদস্থ নকৰি এই কাম কৰাত দ্বাৰৰক্ষীয়ে তাৰ কৰ্তব্যচ্যুতিৰ দায়িত্বৰপৰা ৰেহাই পালে।

*

হনুমানে লংকানগৰীৰ ৰাজআলিয়েদি নীৰৱে-নিমাতে গৈ থাকিল। ঠায়ে ঠায়ে সুমধুৰ গীত-বাদ্য শুনি হনুমানৰ মন প্ৰীত হৈছিল। এঠাইত ৰাক্ষসগৃহৰপৰা বেদপাঠ শুনি হনুমান মোহিত হৈ সেই স্থানতৰ'ল। আকৌ—এঠাইত অস্ত্ৰ কিছুমান ৰাক্ষস সৈন্যই অনাৱশ্যকভাৱে চিঞৰি থকাত হনুমান বিৰক্ত হ'ল।

হনুমানে ভাবি থাকিল : যিখন নগৰীলৈ বহিৰ্জগতৰ কাৰোবাৰ প্ৰবেশ নিষিদ্ধ, সেইখন লংকানগৰীত মই ঘূৰি ফুৰিছোঁ — কথাটো অবিশ্বাস্য হ'লেও সত্য। আৰু মই—সত্যে সত্যে সীতা-মাতৃকো বিচাৰি উলিয়াম।

পাণ্ডিত্যৰ মূল

সীতাপুৰৰ ধনৱান মাধৱশৰ্মাৰ পুত্ৰ বিদ্যাধৰ আছিল পণ্ডিত ব্যক্তি; কিন্তু কিছু অহংকাৰী। বিদ্যাধৰে সীতাপুৰৰ হালোৱা-জালোৱা কমাৰ-কুমাৰ-কঁহাৰ-দোকানদাৰ আদিক আৰু অনাখৰী-অবিদ্বান ইতকো প্ৰকাৰান্তৰে উপহাস আৰু সুবিধাওলালেই চোকাচোকা কথাৰে থকা-সৰকা কৰিছিল।

দেউতাক মাধৱে বহুবাৰ বিদ্যাধৰক এই কথাটো বুজাবলৈ যত্ন কৰিছিল যে গাঁৱত থাকি গাঁৱৰ ৰাইজক জোকাই ল'লে পাছত গাঁৱত থকাটোৱেই টান হৈ উঠিব।

বিদ্যাধৰে এই কথাৰ উত্তৰত কৈছিল, "চাওক দেউতা, যি কোনো প্ৰকৃত পণ্ডিতে নিজৰ বিদ্যাৱত্তা প্ৰকাশ কৰিবই, যেনেকৈ সূৰ্য্যই তাৰ তেজ-শক্তি প্ৰকাশ কৰে, ঠিক তেনেকৈ। সূৰ্য্যৰ তেজেৰে মানুহৰ কষ্ট নোহোৱা নহয়; সেই বুলি সূৰ্য্যই নিজৰ প্ৰকাশ নকৰাকৈ থাকিবনে?"

মাধৱে তৰ্ক নকৰি ক'লে, "ঠিকেই কৈছা; কিন্তু অন্য এটা কথাও ভাবি চোৱা, বোপা। তোমাৰ এই স্বভাৱত অতিষ্ঠ হৈ যদি গোটেইখন গাঁৱেই আমাৰ প্ৰতিকূল হৈ উঠে, তেতিয়া আমি ক'লৈ যাম-কি কৰিম?"

এই কথাৰ উত্তৰত তাচ্ছিল্যৰ হাঁহি মাৰি বিদ্যাধৰে ক'লে, "কথাটো—মই অস্বীকাৰ কৰা নাই। কিন্তু ময়ো গাঁৱৰ মহাধনী কনকগুপ্ত, ৰত্নাসন আৰু মতিৰামৰ সৈতে, আৰু লগতে গাঁওবুঢ়া মহানন্দ আৰু মালযুঁজাক ভীমৰ সৈতেও বন্ধুত্ব পতাই লৈছোঁ। এই পঞ্চপ্ৰধানেই আমাক নিৰাপত্তা প্ৰদান কৰিব, যিকোনো

পৰমেশ পাঠক



অৱস্থাত সহায় কৰিব। গতিকে—গাঁৱৰ ৰাদ বাকীয়ে — কি ক'লে-নক'লে মই তাৰ পৰোৱা নকৰোঁ।"

"কিন্তু সেই পঞ্চপ্ৰধান দেখোন পাঁচটা প্ৰেত। ৰাইজক ভাঁৰি ডাঙৰ বোলোৱা সেই শ'লৰ মাজৰ চেনাৰবিলাকৰ মাজত তুমি কিমান দিন কটাবা বুলি ভাবিছা?" দেউতাকে সুধিলে।

বিদ্যাধৰে ধমকি উঠি ক'লে, "দেউতা, তেওঁলোক প্ৰেতেই হওক ভূতেই হওক বা — গুণ্ডা-বদমাছ যেয়েই নহওক, এওঁলোকৰ মুখৰ ওপৰত মাত মতাৰ দাঁত গাঁৱত কাৰো নহ'ব।"

তথাপি মাধৱশৰ্মাই বিদ্যাধৰক বুজাবলৈ চেষ্টা কৰিলে যে দুষ্টৰ লটপট হয়, সন্তৰহে হয় মৰণ। কিন্তু আমাৰ এই হৰমোহন বিদ্যাধৰ হ'ল বুজন-নিৰ্গত, তাক বুজাব কোনে?

সেইদিনাই মাধৱৰ বন্ধু প্ৰবোধ মাধৱৰ ঘৰলৈ আহিল। ইকথা-সিকথাৰ মাজত তেওঁ ক'লে, "মাধৱ, আমাৰ ছোৱালীজনীক বিদ্যাধৰৰ হাতত দিয়াৰ মোৰ মন। বিদ্যাধৰৰ মাজত নানান গুণ, কিন্তু অহংকাৰৰ দুৰ্গুণো কিঞ্চিত নথকা নহয়। এটা কাম কৰা, তাক গংগানগৰৰ পণ্ডিত বিষ্ণুশৰ্মাৰ ওচৰলৈ যাবলৈ কোৱা, তাৰ এই দুৰ্গুণ গুচিব পাৰে।"

দেউতাকেও কথাটো ক'লে, আৰু প্ৰায় লগে লগেই আমাৰ বিদ্যাধৰ বাপুৰেও গংগানগৰলৈ বুলি খোজ ল'লে। দেউতাকে তাক কৈছিল, "যোৱা, পণ্ডিত বিষ্ণুশৰ্মাৰ ওচৰলৈ যোৱা, তেওঁৰপৰা শিক্ষা লোৱা আৰু আমাৰ গাঁৱৰ সুনাম বঢ়োৱা।"

কিন্তু বিষ্ণুশৰ্মা পণ্ডিতক আৰু তেওঁৰ ঘৰ-দুৱাৰ পৰিবাৰ আদিক দেখা পাই বিদ্যাধৰ কিছু হতাশ হ'ল। পণ্ডিত বিষ্ণুশৰ্মাৰ পিন্ধনত আছিল অতি সাধাৰণ চুৰিয়া, আৰু তেওঁৰ পত্নীৰো অৱস্থাও তেনেকুৱাই। যেনিবা—ঢেঁকীশালৰ ঢোকা।

বিদ্যাধৰে পণ্ডিত বিষ্ণুশৰ্মাক ক'লে, "মই আপোনাক তৰ্কত পৰাজিত কৰাৰ মনেৰে আহিছোঁ। বেয়া নাপাব।"

বিষ্ণুশৰ্মাই স্মিত-মধুৰ হাঁহিৰে বিদ্যাধৰক ক'লে, "তোমাৰ চেহাৰা-পাতিয়েই তোমাৰ গুণ প্ৰকাশিছে। তোমাৰ দৃষ্টিয়েও প্ৰকাশ কৰিছে তুমি এগৰাকী ডাঙৰ শাস্ত্ৰবিদ-পণ্ডিত। তুমি কি কি কাব্য আৰু ব্যকৰণগ্ৰন্থ অধ্যয়ন কৰিছা, সেই কথা জানিব পাৰিলে আনন্দিত বোধ কৰিম।"

বিদ্যাধৰে গ্ৰন্থসমূহৰ নাম বিষ্ণুশৰ্মাক বিস্তাৰিত ক'লে।

"তোমাৰ দেখোন অগাধ পাণ্ডিত্য! মইনো কেনেকৈ তোমাৰ লগত তৰ্কত প্ৰবৃত্ত হওঁ? তোমাৰ ওচৰত মই তৰ্কত প্ৰবৃত্ত নোহোৱাকৈয়েই পৰাজয় মানি লৈছোঁ। পিছে—তুমি যদি আমাৰ ঘৰত চাৰি-পাঁচ দিন থাকিব পাৰা—বৰ আনন্দ বোধ কৰিম।—তোমাৰ অধীত গ্ৰন্থসমূহৰ সাৰাংশ তথা এই বিষয়ে তোমাৰ মতামত তোমাৰ পৰা শুনাৰ মন।" বিষ্ণুশৰ্মাই বিদ্যাধৰক ক'লে।

"নহয় — বিষ্ণুশৰ্মাজী, বিনা তৰ্কত বিজয় — কোনো বিজয়েই নহয়। ই যেনিবা নিমখ নোহোৱা আঞ্জা। তাতকৈ তৰ্কত পৰাজিত হোৱাও ভাল বিদ্যাধৰে



বিষ্ণুশৰ্মাক বিমৰিষ ভাবে ক'লে।

"ঠিক আছে, তুমি চাৰিটা দিন আমাৰ ঘৰত থাকিবা, আৰু পাঁচদিনৰ দিনা আমি দুয়ো চহৰীয়া জমিদাৰ জগন্নাথদেৱৰ তালৈ যাম। তাত এখন তৰ্কসভা পতা হ'ব, মোৰো তালৈ নিমন্ত্ৰণ — আৰু তুমিও তাতেই যাৰ লগত মন যায় তৰ্কযুদ্ধ কৰিব পাৰিবা। আৰু তাৰ ফলত তোমাৰ ইচ্ছা পূৰণ হৈ যাব।" পণ্ডিত বিষ্ণুশৰ্মাই ক'লে। পণ্ডিত বিষ্ণুশৰ্মাৰ এই বিশেষ কথাটো বিদ্যাধৰৰ মনঃপূত হ'ল।

বিদ্যাধৰ চাৰিদিন ধৰি বিষ্ণুশৰ্মাৰ ঘৰত থাকিল। বিষ্ণুশৰ্মাৰ পৰিবাৰে



বিদ্যাধৰক সৰু ভায়েকৰ দৰে আদৰ-যত্নৰ কৰিলে। বিষ্ণুশৰ্মাৰ পুত্ৰ দুটি বয়সত সৰু, তথাপি বিদ্যাধৰক যথেষ্ট সেৱা-যত্ন সিহঁতেও কৰা হ'ল। সাহিত্যালোচনা তো সদায় চলি থাকিল। বিষ্ণুশৰ্মা যে সাধাৰণ পণ্ডিত নহয়, সেই কথা বিদ্যাধৰে নুবুজাকৈ নথাকিল। কিন্তু—বিষ্ণুশৰ্মাদেৱে কেতিয়াও বিদ্যাধৰৰ কথাৰ কোনো প্ৰতিবাদ নকৰিছিল, তাৰ যুক্তিক খণ্ডন কৰিবলৈ প্ৰয়াসী হোৱা নাছিল। দেখি-শুনি ভাবি-গুণি বিদ্যাধৰ এই সিদ্ধান্তলৈ আহিল যে—পণ্ডিত বিষ্ণুশৰ্মাৰ পাণ্ডিত্য হ'ল কেৱল মুখৰহে ফকফকনি, নহ'লেনো শাস্ত্ৰৰ কথাত তৰ্ক কৰাত তেওঁ ইমান অনিচ্ছুক হ'ব কিয়?

বিষ্ণুশৰ্মাৰ আন কিছুমান কথাও বিদ্যাধৰে বুজি নাপায়। যেনে—এদিন এজন কৃষকে বিষ্ণুশৰ্মাক এপাচি পাচলি আনি দিলে আৰু ক'লে, "মহাত্মা, এই খিনি সাধাৰণ বস্তু মোৰ খেতিৰ বস্তু। আপুনি খালে আমি ধন্য মানিম।"

বিষ্ণুশৰ্মাই হাঁহি মাৰি কৃষকজনক ক'লে, "শুনা, ধন্য আমিহে মানিছোঁ। তোমালোক হ'লা অন্নদাতা; আনকি—ঈশ্বৰেও কিজানি তোমালোকক সৰাতোকৈ মহান বুলি ভাবে। হে অন্নদাতা! সুখী হোৱা।" এইদৰে, বিষ্ণুশৰ্মাই কৃষক এজনৰ শলাগ লোৱা শুনিছিল বিদ্যাধৰে।

আৰু সমাজৰ অন্যান্য সৰু সৰু মানুহলৈ শলাগনি-ওলগনিৰ শৰাই আগ বঢ়োৱা দেখি বিদ্যাধৰৰ লাজেই লাগি গৈছিল। চেঃ! ইমান ডাঙৰ পণ্ডিতৰ ইমান নাম-ধাম, কিমান সৰু কাম!

দুয়ো চহৰলৈ যোৱাৰ দিনা কাপোৰ-কানিৰ ভাঙৰ টোপোলা এটা পাৰঘাটলৈ কঢ়িয়াই নিবৰ বাবে এজন বনুৱাক লোৱা হৈছিল, বনুৱাই লাহে লাহে খোজ দিয়াত বিষ্ণুশৰ্মাই তাক অলপ খৰকৈ যাবলৈ ক'লে। এই কথাৰ উত্তৰত বনুৱাজনে



খেচখেচীয়া মাতেৰে কৈ উঠিল, "মই ইমান ৰ'দত আৰু খৰকৈ খোজ দিব নোৱাৰিম। আনৰ বোজা কঢ়িউৱাটো বৰ সুখৰ কাম নহয়, ডাঙৰীয়া!"

"তোমাক বিনা পইচাৰে কাম কৰিবলৈ কোৱা নাই নহয়—? দস্তুৰমত পইচা—বুইছা—পইচাৰে কাম কৰাইছোঁ। ইমান অহংকাৰ নকৰিবাচে'ন?" বিদ্যাধৰে বনুৱাটোক বায়ুধুনা দিলে।

কিন্তু বিষ্ণুশৰ্মাই শান্ত কণ্ঠেৰে সেই বানুৱাজনক ক'লে, "ঠিকেই কৈছা, আনৰ বোজা কঢ়িউৱাটো বৰ সুখৰ কাম নহয়, যি কি নহওক — অলপ খৰখুজীয়াকৈ নগ'লে আমি পাৰ-নাওখন নাপাবও পাৰোঁ। আৰু সেই পাৰ-নাওখন কিবা কাৰণত নাপাওঁ যদি—নৈৰ পাৰতে ৰাতি ছোৱা বহি থাকিব লাগিব। গতিকে—।"

কি হ'ল কোৱা নাযায়—বনুৱা মানুহজনে বেগাই খোজ দিবলৈ ধৰিলে আৰু তাৰ ফলত তেওঁলোক সময়মতেই পাৰ-ঘাট পালেগৈ।

নাৱৰীয়াই বিষ্ণুশৰ্মাৰ আগত হাত-যোৰ কৰি ক'লে, "আপুনি এইপিনে অহাৰ কথা আনৰ মুখে শুনি ৰৈ আছোঁ, যেনেকৈ শ্ৰীৰামচন্দ্ৰলৈ গুহক ৰৈ আছিল—তেনেকৈ। আহক, দয়া কৰি আমাৰ নাৱত পদধূলা দিয়ক।"

"নক'বাহে—তেনেকৈ ক'ব নাপায়। তোমাৰ আগত মই তেনেই তুচ্ছ মানুহ। তোমাৰ প্ৰত্যক্ষ পাণ্ডিত্যৰ তুলনাত মোৰ মূল্য কি?" এই বুলি কৈ কৈ, বিদ্যাধৰক লগত লৈ, তেওঁ নাৱত উঠিলগৈ।

নাৱৰীয়া এজনক এনেকৈ ফুলাই দিয়াত বিদ্যাধৰে বেয়াহে পালে।

নাৱত বহি বিষ্ণুশৰ্মাই নাৱৰীয়াক ক'লে, "এই যে মোৰ লগত ল'ৰাটোক দেখিছা—বয়সত সৰু হ'লে কি হ'ব—এওঁ মোতকৈ ঢেৰ ডাঙৰ পণ্ডিত।"

শুনি বিদ্যাধৰৰ ধক ছুটিল, কিন্তু বুকুখন



এবেগেতমান ফুলি উঠিল।

নাৱৰপৰা নমাৰ লগে লগেই জমিদাৰ জগন্নাথ ডাঙৰীয়াৰ দেৱানে হাতযোৰ কৰি বিষ্ণুশৰ্মাক ক'লে, "পণ্ডিতপ্ৰবৰ! আপোনাক অভ্যৰ্থনা কৰি লৈ যোৱাৰ বা.ব স্বয়ং জমিদাৰ ডাঙৰীয়ায়েই ইয়ালৈ আহিলহেঁতেন; কিন্তু তেওঁ অত্যন্ত ব্যস্ত হৈ থকাত ইচ্ছা থকা স:ত্বেও আহিব নোৱাৰিলে। আপোনালোকৰ সৰ্বপ্ৰকাৰৰ বন্দবস্ত কৰাৰ দায়িত্ব তেওঁ মোৰ ওপৰত দিছে। আপুনি মোৰ যো:গেদি তেওঁ'লৈ আশীৰ্বাদ প্ৰেৰণ কৰিলে তেওঁ আনন্দিত তথা বাধিত হ'ব।"

এই কথাৰ উত্তৰত মুহূৰ্তকৈ হাঁহি মাৰি বিষ্ণুশৰ্মাই দেৱানক ক'লে, "চাওক দেৱানজী, মোৰ পৰিৱৰ্ত্তে মহাৰাজ এই নাৱেৰে পাৰ হৈ অহাহেঁতেন সহস্ৰ বন কাতি কৰি থৈও জমিদাৰ ডাঙৰীয়া ইয়ালৈ আহিলহেঁতেন। গতিকে — এনেবোৰ কথা কোৱাৰ তথা কৈফিয়ৎ দিয়াৰ কোনো আৱশ্যকতা নেদেখোঁ। যি কি নহওক — তেওঁক যদি মোৰ আশীৰ্বাদৰ প্ৰকৃততেই প্ৰয়োজন হৈছে, তেনেহ'লে তেওঁকে মোৰ ওচৰলৈ আহিবলৈ কওকগৈ।"

দেৱান তলমূৰ হৈ গুচি গ'ল।

এইবাৰ—প্ৰথমবাৰৰ বাবে বিষ্ণুশৰ্মাক প্ৰচণ্ড অহংকাৰী যেন লাগিল বিদ্যাধৰৰ। এই বিষ্ণুশৰ্মা সেই বিষ্ণুশৰ্মা নহয়।

দেৱানে বিষ্ণুশৰ্মা আৰু বিদ্যাধৰৰ থকা-মেলাৰ সুবন্দৱস্ত কৰাৰ অন্তত জমিদাৰ তালৈ গ'ল আৰু ে:ওঁ বিষ্ণুশৰ্মাৰ-পৰা ক্ষমা প্ৰ.ৰ্থনা কৰিলে।

জমিদা:ৰ ডাঙৰীয়াই ক্ষমা প্ৰাৰ্থনা কৰাত বিষ্ণুশৰ্মাই মৌনভাবেই মূৰ দুপিয়াই উত্তৰ দিলে।

জমিদাৰ জগন্নাথ গুচি যোৱাৰ পাছত বিদ্যাধৰে বিষ্ণুশৰ্মাক সুধিলে, "আপোনাক শলাগি থকা সাধাৰণৰো সাধাৰণহতক

আপুনিও শলাগিছিল। বন্ধুৱাটোৰ খেচ-খেচনিও আপুনি সহ্য কৰি মহত্ব প্ৰদৰ্শন কৰিছিল; কিন্তু জমিদাৰ ডাঙৰীয়াৰ প্ৰতি আপোনাৰ আচৰণ কিন্তু পাণ্ডিত্যপূৰ্ণ বিনয়ৰ বিপৰীত। অহংকাৰ বুলিয়েই ক'ব পাৰি। আপুনি—তৰ্ক সভাত পৰাজিত হ'বৰ মনেৰেহে এই আচৰণ ইচ্ছা কৰিয়েই কৰিলেনে? নে ইয়াৰ মাজত অন্য ৰহস্য আছে?

বিষ্ণুশৰ্মাই নীৰৱ মৃদু হাঁহিৰে ক'লে, "পণ্ডিত ব্যক্তিয়ে দুৰ্বল বা অবিদ্বান বা অবুজনক বুজনি দিয়াটো কৰ্তব্য। কিন্তু সমাজৰ গণ-মান্যসকলৰ ক্ষেত্ৰত কথাটো স্বতন্ত্ৰ। মান্য-গণ্যসকলৰ দম্ভক পাণ্ডিত্যৰ অহংকাৰেৰে দমাই ৰখাৰ বিনে এগৰাকী পণ্ডিতৰ আন কোনো ধৰণৰ উপায় নাই, কোনো ধৰণৰ বুদ্ধি নাই, বা কোনো ধৰণৰ অস্ত্ৰ নাই।"

"মই—মই পৰিষ্কাৰকৈ—"

বিদ্যাধৰক হাত দাঙি ৰখাই বিষ্ণুশৰ্মাই ক'লে, "প্ৰকৃত বিদ্বানৰ বিদ্যাৰে তথা বিদ্যাৰ্জিত বিনয়েৰে, অৰ্থাৎ শিষ্টতাৰেই পৰাভূত কৰিব পাৰি; কিন্তু দাম্ভিকক বিনয়েৰে অধিক দাম্ভিকহে কৰি তুলিব পাৰি; দাম্ভিকক কেৱল অহংকাৰেৰেহে দমাই ৰাখিব পাৰি। যদিও—বিনয়েই হ'ল পাণ্ডিত্যৰ মূল কথা।"

এইবাৰ বিদ্যাধৰে বিষ্ণুশৰ্মাৰ বক্তব্য পৰিষ্কাৰভাবে উপলব্ধি কৰি তাৰ আগৰ দম্ভপূৰ্ণ আচৰণৰ বাবে বৰ লজ্জিত হ'ল। তৰ্কসভাত আৰু অনাৱশ্যকভাবে যোগদান নকৰাকৈয়েই বিষ্ণুশৰ্মাক সাষ্টাংগে প্ৰণাম কৰি নিজ গাঁৱলৈ বুলি খোজ বঢ়োৱা হ'ল।

পাছত বিদ্যাধৰে সীতাপুৰৰ সৰু-বৰ সকলোলৈকে যথাযোগ্য ভাবে মান-সম্মান প্ৰদৰ্শন কৰি, বিদ্যাৰ সৈতে বিনয়ৰ যোগ-সাধন কৰি প্ৰকৃত বিনয়ী পণ্ডিতৰূপে দেশ-বিদেশতো খ্যাতি আৰ্জিছিল।

বেঙা

বহু বহু প্ৰাচীন কালৰ কথা। মোংগলদেশৰ কোনোবা এখন গাঁৱত বে ফাং নামৰ কৃষক এজনৰ তিনিজন ল'ৰাৰ মাজত মুমলীয়া কে পাং নামৰ ল'ৰাটো কিবা ধৰণৰ যেন। তাৰ হাৰ-ভাৱ দেখি তাৰ ককায়েক দুজনে তাক 'বেঙা' বুলি মাতিছিল।

কিন্তু বেঙা হ'লেও সি টেঙা বা টেঙৰো নাছিল; সি আছিল ৰাইজৰ পক্ষে অতি উপকাৰী ল'ৰা। কোনোবা কিবা দুৰ্গতি-বিগতিত পৰিলে—বেঙাই নিজেই আগবাঢ়ি যাব সহায় কৰিবলৈ।

এদিন তাৰ ককায়েক দুজনে বেঙাক ঘৰৰপৰা উলিয়াই দিলে। বুঢ়া দেউতাকেও ডাঙৰ ল'ৰা দুটাৰ এই কামৰ বিৰুদ্ধে একো মাত নামাতিলে। এতিয়া বুঢ়া বয়সত তেওঁ পুতেকহঁতৰ ওপৰতহে নিৰ্ভৰশীল। তেওঁক চাওঁতা কোনো নাই।

বেঙাই তথা কে পাঙে এতিয়া ছনে-বনে ঘূৰে, ঘূৰি ঘূৰি গাঁৱৰে হাবি-বনৰ য'তে যি পায় খায়, য'তে ৰাতি হয় ত'তে কাতি হয়; কিন্তু ৰাইজৰ কাম সি আগৰদৰেই কৰা হয়। তাক থেৰে য়ি খাবলৈ দিয়ে, কষ্ট নহৈ সদায় হৃষ্ট হৈ তুষ্ট মনেৰে খায়।

কিছু দিনৰ পাছত কেৱল সিহঁতৰ গাঁৱতে নহয় অন্যান্য কেইবাখনো গাঁৱতে একেবাৰে পানী নোহোৱা হ'ল। জান-জুৰি খাল-পুখুৰী খেতি-পথাৰ আদি শুকাই খৰখৰীয়া মৰা হ'ল। কে পাং অৰ্থাৎ বেঙাৰ মূৰত্তে যেনিবা বজ্ৰপাত হ'ল। কি কৰিলে যে গাঁওকেইখন অসময়ত খৰৰ কবলৰপৰা ৰক্ষা পৰিব—সেই চিন্তাত বেঙা অস্থিৰ হৈ উঠিল।

'মোংগলীদেশৰ লোক-কথা'



এনেতে—দূৰণিবটীয়া গাঁও এখনত সাধুবাবা এজন অহাৰ কথা শুনি বেঙাই সেই সাধুবাবাৰ ওচৰলৈ ৰাওনা হ'ল। গৈ গৈ--এঠাইত এটা ঘৰৰ দুৱাৰমুখত এজনী অতি ৰূপৱতী কিন্তু অন্ধ ছোৱালীক দেখা পাই—বেঙাই ভাবিলে : সাধুবাবাৰপৰা—পাৰিলে এইজনীৰ দৃষ্টিশক্তিকো ভাল কৰাৰ উপায় বিচাৰিম।

কে পাঙে সাধুবাবাক সকলো কথা ক'লে আৰু গাঁওকেইখনক খৰৰপৰা আৰু অন্ধ ছোৱালীজনীকো দৃষ্টিহীনতাৰপৰা ৰক্ষা কৰিবলৈ উপায় দিবলৈ খাটিলে।

কি কৰিলে কি হ'ব সাধুবাবাই কে পাঙক বুজাই কৈ দিলে।

গৈ গৈ সহস্ৰনিজৰা নামৰ এডৰা বিৰাট-বিশাল অৰণ্যৰ এঠাইত কে পাঙে বহু সংখ্যক নিজৰা আৰু সেই নিজৰাৰ কাষত অসংখ্য হাতীক শুই থকা দেখা পালে। শুই থকা এই হাতীবিলাকৰ কাৰণেই নিজৰাৰ পানী আবদ্ধ হৈছে আৰু সিহঁতৰ গাঁওকেইখন পানীৰ অভাৱত শুকাই গৈছে—সেই কথা উপলব্ধি কৰি শিৰই খৰি-কাঠ বুটলি জুই জ্বলাই দিলে আৰু তেতিয়া হাতীজাক পলাল।

এইদৰে, সাধুবাবাৰপৰা প্ৰাপ্ত পৰামৰ্শমতে কাম কৰি আৰু সাধুবাবাৰ সকলো কথা মনে-চিতে বিশ্বাস কৰি বেঙা কে পাঙে তাৰ অভীষ্ট কামত সিদ্ধিলাভ কৰিলে। সি বেঙা বুলিয়েইহে কিজানি সাধুবাবাৰ কথাত তাৰ শতকৰা এশভাগ নিৰ্ভৰতা তথা বিশ্বাস আছিল আৰু দ্বিধাহীন মনেৰে সাধুবাবাৰ নিৰ্দেশ আখৰে আখৰে পালন কৰিছিল। সি বেঙা নোহোৱাহেঁতেন—সাধুবাবাৰ কথাত হয়তো তাৰ মনত সংশয়-সন্দেহৰ সৃষ্টি হ'লহেঁতেন আৰু তাৰ ফলত তাৰ অভীষ্ট কিজানি সফলো নহ'লহেঁতেন।

সাধুবাবাই বেঙা কে পাঙক কৈছিল যে সেই অন্ধ ছোৱালীজনীকে সি তাৰ

জীৱনলগৰী কৰি ল'ব লাগিব, নহ'লে তাক শাপে চুব। সাধুবাবাৰ এই কথাতো কে পাঙৰ পূৰ্ণ আস্থা আছিল।

কে পাঙে অন্য উপায়েৰে নোৱাৰি, জুই জ্বলাই পানীৰ ধাৰ বন্ধ কৰা হাতী-বিলাকক খেদিলে আৰু তাৰ পাছত শিৱই সেই অন্ধ ছোৱালীজনীৰ মূৰত হাত এখন স্থাপন কৰাৰ লগে লগেই ছোৱালীজনীয়ে তাইৰ দৃষ্টিশক্তি ঘূৰাই পালে।

শিৱই এই ছোৱালীজনীক বিয়া কৰাই তাইক লগত লৈ গাঁৱলৈ আহিল। গাঁৱত তিমানতে পানীৰ সোঁত সোমাইছিল আৰু শুকাই ফাট মেলা মাটিও জীপাল হৈ উঠিছিল। গাঁৱৰ খেতি-পাথৰবোৰ পুনৰ সেউজীয়া হৈ উঠিছিল।

ন-বোৱাৰীয়েকক লগত লৈ ঘৰলৈ অহাত কে পাঙৰ ককায়েক দুজন হিংসাত ৰঙা-ক'লা তিনি বৰণীয়া হ'ল। কিন্তু দেউতাক বে ফাঙে বোৱাৰীক আদৰি ল'লে।

কে পাঙৰ দেউতাক বে ফাঙে ডাঙৰ পুতেক দুজনক ক'লে, "শুনা, আন যিয়েই নহওক — কে পাং তোমালোকৰ সৰু ভাই। কিন্তু ভাই বুলিও তোমালোকে তালৈ এফেৰি মৰমো নেদেখুৱালা, বৰঞ্চ তাক তোমালোকে তোমালোকৰ ভোকৰ ভাতত কুকুৰ বৈৰীৰ দৰে ভাবি নানান ছলেৰে ঘৰৰপৰা খেদিহে পঠালা। তাক বেঙা বেঙা বুলি কৈ কৈ টেঙা লগাই চেঙালুট পৰাৰহে বন্দৱস্ত কৰি দিছিলা। কিন্তু এতিয়া আৰু মই সেইবোৰ হ'বলৈ নিদিওঁ। সি ইয়াতে থাকিব। সি যদি বেঙা—হওক বেঙা, তোমালোকে তাৰ কথাত বেঙেটি চোবাব নালাগে।"

গাঁৱৰ ৰাইজেও কে পাঙৰ দৰে মানুহৰ বাবে উৎসৰ্গীকৃত প্ৰাণৰ তথা তাৰ সেৱাৰ শলাগ লৈছিল আৰু কে পাঙেও সমগ্ৰ জীৱনকাল ধৰি ৰাইজক সেৱি ৰাইজৰ মনৰ ৰজা হৈ জীৱন অতিবাহিত কৰিছিল।

শ্ৰেষ্ঠ পৰ্বতাৰোহী

দীঘল শিঙীয়া এজাতি বিৰাট আকাৰৰ ভেড়াই অতি সহজেই পৰ্বতৰ টিঙলৈ বগাই উঠিব পাৰে। সিহঁতৰ খুৰাৰ তলুৱাত ধনুভিৰীয়া কোমল গদিৰ নিচিনা বস্তু থকাৰ ফলত পিছল শিলৰ গাত খামোচল মাৰি ধৰিব পাৰে।

নাহৰ জেঠী !

এইবিধ নাহৰফুটুকী জেঠী বা গুঁইৰ নোদোকা নেজত খাদ্য আৰু পানীয় সঞ্চিত থাকে। যেতিয়া ই কিবা বিপদৰ সন্মুখীন হয়, তেতিয়া লগে লগে নিজৰ নেজডাল খহাই পেলায় ; কিন্তু পাছ মুহূৰ্তত পুনৰ গজে !

জগতৰ আটাইতকৈ ডাঙৰ প্ৰাকৃতিক মুকুতাটোৰ নাম হ'ল 'লাওজৰ মুকুতা'। এই খাইকহ মুকুতাটো দীঘলে ৯·৫ ইঞ্চি, ব্যাস হ'ল ৫·৫ ইঞ্চি। ইয়াৰ ওজন হ'ল ১৪ পাউণ্ড বা ৬·৩৭ কিলোগ্ৰাম।

খাইকহ মুকুতা !

নৈৰ তলতে নৈ !

১৯৫৮ চনত ৰেডিঅ' আইছ'টোপ প্ৰক্ৰিয়াৰ সহায়ত মিছৰদেশৰ নাইল নৈৰ তলত আন এখন নৈ প্ৰবাহিত হৈ থকাৰ কথা আৱিষ্কৃত হৈছে। নৈৰ তলৰ এই নৈখনৰ প্ৰবাহ নাইলতকৈ ছগুণ অধিক !

Biku, John, Abik, Salim. All waiting for their birthdays. For their PORSCHE
Mine was yesterday.
PORSCHE
SAMMO
CHANDAMAMA TOYTRONIX
Mfd. by :
Chandamama Toytronix Pvt. Ltd.
Chandamama Buildings,
188, NSK Salai, Vadapalani,
Madras - 600 026.
STP
Remote-Control PORSCHE Toy Car
• For the first time in India
• Indigenously manufactured
• Design from SAMMO of South Korea
FROM THE HOUSE OF CHANDAMAMA

ফটো-নামকৰণ প্ৰতিযোগিতা :: পুৰস্কাৰ ৫০ টকা

পুৰস্কৃত নাম ১৯৯১ চনৰ অগাস্ট সংখ্যাত প্ৰকাশিত হ'ব

M. Natarajan

K. S. Vijayker

* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৯১ চনৰ জুন মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ৫০ টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : CHANDAMAMA PHOTO CAPTION COMPETETION. (ASSAMESE)
CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS—600 026.

১৯৯১ চনৰ এপ্ৰিল মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

অনিবাৰ্য্য কাৰণত এইবাৰৰ পুৰস্কাৰ স্থগিত থাকিল

[পুৰস্কাৰৰ ৫০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব]

ভাৰতত বছৰেকীয়া বৰঙণি **চা ন্দ মা মা** ৩৬.০০ টকা মাথোন

তলৰ ঠিকনালৈ পঠাব লাগিব :

Chandamama Publications, Chandamama Buildings, Vadapalani, Madras-600 026.

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

In a class of its own
Exclusive pencils for one and all,
LION PREMIER® HB PENCILS
Sleek, Elegant, meant for executives and others, who like style. A consistent dark tone for effortless writing · micronized lead for unbreakable points are what adds to its superiority.
L.P.P. LTD. ✱ PREMIER ✱ 261 ✱ HB ✱ BONDED LEAD
LION PINKY® PENCILS
Lion 'PINKY' Pencils Pretty Perfect, Ideal for children because of its pretty designs & colours. Strongly bonded lead for unbreakable points and super smooth writing add to its attraction.
PINKY
LION Geematic® DRAWING PENCILS
Lion Geematic Drawing Pencils. A unit for all Professionals like artists, architects, designers & engineers. Give expertise an edge. Available in 14 grades from H to 6H and B to 6B HB and F
L.P.P. LTD. Geematic DRAWING 555 6B
LION PENCILS LTD
95, Parijat, Marine Drive
BOMBAY 400 002
National-356

এটি কেছিঅ' থাকিলে আপোনাৰ মনে বিচৰা সকলো ধ্বণৰ সঙ্গীতৰ আনন্দ লব পাৰিব, মাথো কী টিপিলেই হ'ল
ছন্দৰ গতিৰ লগে আপোনাৰ প্ৰিয় গীতসমূহ বজাই যাওক... বন্ধুবৰ্গৰ নৃত্যৰ ছন্দোময় তালে তালে আপুনি হৈ পৰিব জাকতজিলিকা তাৰকা।
গতিকে পলম কিহৰ... কেছিঅ'ৰ যহত লওক আনন্দ লহৰ। হয়, ইয়েই হ'ল প্ৰকৃত আনন্দ।

M-9105 SAC2AS

CITY MUSIC CO., PTE LTD.
Singapore Tel: 3377058, 3377545

ONFLO MUSIC CO., LTD.
Hong Kong Tel : 722 4195

RAINBOW PHOTO FINISHERS PTE LTD.
Nepal, Kathmandu Tel : 221724

GENERAL ENTERPRISES COMPANY
U.A.E., Dubai Tel : 224131/2/3

MAHMOOD SALEH ABBAR CO.
Saudi Arabia, Jeddah Tel : (02)6473995

ARABIAN CAR MARKETING CO.,LTD.
Oman Tel : 793741

CASIO COMPUTER CO., LTD.
Tokyo, Japan

CHANDAMAMA (Assamese) June 1991 Regd. No. TN/MS (S)/87